DailyAssam.Com

অষ্টম অধ্যায়

# কৃষক, জমিদাৰ আৰু ৰাষ্ট্ৰ

## কৃষিজীৱী সমাজ আৰু মোগল সাম্ৰাজ্য (ষোড়শ- সপ্তদশ শতিকা)



নক্সা ৮.১
সপ্তদশ শতিকাৰ এখন ৰঙীন অঙ্কিত চিত্ৰৰ পৰা সংগৃহীত গ্ৰাম্যাঞ্চলৰ এক বিস্তৃত চিত্ৰ।

ষোড়শ আৰু সপ্তদশ শতিকাত ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ ৮৫ শতাংশ লোক গাঁৱত বাস কৰিছিল। কৃষক আৰু ভূস্বামী উভয়ে কৃষি উৎপাদনত জড়িত আছিল আৰু উৎপাদনৰ একাংশৰ ওপৰত নিজৰ অধিকাৰ বিচাৰিছিল। সেইটোৱে তেওঁলোকৰ মাজত সহযোগিতাৰ সম্পৰ্ক, প্ৰতিদ্বন্দ্বিতা আৰু সংঘৰ্ষৰ সৃষ্টি কৰিছিল। এই আটাইবিলাক কৃষি সম্পৰ্কৰ আধাৰতেই গ্ৰাম্য সমাজখন গঢ়ি উঠিছিল।

একে সময়তে বাহিৰৰ শক্তিও গ্ৰাম্য সমাজখনত সোমাই পৰিছিল। সেইবিলাকৰ ভিতৰত আটাইতকৈ শক্তিশালী আছিল মোগল ৰাষ্ট্ৰ, যিয়ে কৃষি উৎপাদনৰ পৰা অধিক পৰিমাণৰ আয় আহৰণ কৰিছিল। ৰাষ্ট্ৰৰ প্ৰতিনিধিসকলে গ্ৰাম্য সমাজখন নিয়ন্ত্ৰণ কৰিব বিচাৰিছিল যাতে কৃষি কাৰ্য সম্পাদন কৰা হয় আৰু ৰাষ্ট্ৰই কৃষি উৎপাদনৰপৰা পাব লগীয়া অংশটো খাজনাৰূপে নিয়মিতভাৱে পাই থাকে। ৰাষ্ট্ৰৰ উক্ত প্ৰতিনিধিসকলেই আছিল খাজনাৰ পৰিমাণ ধাৰ্য কৰোঁতা, ৰাজস্ব সংগ্ৰাহক আৰু নথি-পত্ৰৰ সংৰক্ষক আদি। যিহেতু বহুবিলাক শস্য বিক্ৰি কৰিবলৈ উৎপাদন কৰা হৈছিল সেয়ে ব্যৱসায়, মুদ্ৰা আৰু বজাৰ গ্ৰাম্য সমাজত সোমাই পৰিছিল আৰু সেই প্ৰক্ৰিয়াই কৃষি ক্ষেত্ৰসমূহক নগৰৰ সৈতে সংলগ্ন কৰি তুলিছিল।

### ১. কৃষক আৰু কৃষি উৎপাদন

কৃষিজীৱী সমাজৰ প্ৰথামিক গোটটো আছিল গাঁও। গাঁওবাসী এই কৃষকসকলেই গোটেই বছৰটো ধৰি কৃষি উৎপাদনৰ সৈতে জড়িত বিভিন্ন কাম সম্পাদন কৰিছিল— তাৰ ভিতৰত মাটি চহোৱা, বীজ সিঁচা আৰু পৈণত হোৱাৰ পিছত খেতি চপোৱা। তদুপৰি তেওঁলোকে কৃষি কেন্দ্ৰিক শস্য উৎপাদন কাৰ্যতো শ্ৰম দান কৰিছিল— যেনে, চেনী আৰু তেল।

কিন্তু ভাৰতীয় গ্ৰাম্য সমাজখনৰ বৈশিষ্ট্য অকল স্থায়ী কৃষি উৎপাদনতেই সীমিত নাছিল। আন বহুবিলাক এলেকা, যেনে বৰি মাটি বা পাহাৰীয়া অঞ্চলবিলাক সাৰুৱা আৰু বহল কৃষি ভূমিৰ দৰে সমানেই কৃষি উপযোগী নাছিল। তাৰ লগতে যথেষ্ট পৰিমাণৰ ভূমি ক্ষেত্ৰ হাবি-জংগলেৰে পৰিপূৰ্ণ আছিল। কৃষিজীৱী সমাজৰ

DailyAssam.Com



কথা আলোচনা কৰোঁতে আমি সদায়েই ভূমিৰ উপৰিভাগৰ গঠন সম্পৰ্কে এই ধৰণৰ বিভিন্ন কথা মনত ৰাখিব লাগে।

### ১.১ তথ্য-সমলৰ সন্ধান

গ্ৰাম্য সমাজৰ কৃষিজীৱী সমাজ সম্পৰ্কে আমাৰ জ্ঞান কৃষি পথাৰত কাম কৰা লোকসকলৰ পৰা নাপাও, কিয়নো তেওঁলোকে নিজৰ বিষয়ে লিখি থৈ যোৱা নাছিল। কৃষিজীৱী সমাজ সম্পৰ্কে আমাৰ জ্ঞানৰ প্ৰধান উৎস হ'ল ষোড়শ আৰু সপ্তদশ শতিকাৰ আদি ভাগত ৰচিত ঘটনাপঞ্জী আৰু মোগল ৰাজসভাৰ নথি-পত্ৰ। (লগতে নৱম অধ্যায়টো দ্ৰষ্টব্য) সেইবিলাকৰ ভিতৰত অন্যতম গুৰুত্বপূৰ্ণ উৎস হ'ল আকবৰৰ ৰাজসভাৰ বুৰঞ্জীকাৰ আবুল ফজলে ৰচনা কৰা আইন-ই আকবৰী। এই গ্ৰন্থখনত লিখকে ৰাষ্ট্ৰই কৃষি কাৰ্য সুচাৰুৰূপে চলাই যাবলৈ লোৱা ব্যৱস্থাসমূহৰ কথা সুক্ষ্মাতিসুক্ষ্মভাৱে লিপিবদ্ধ কৰিছিল— সেইবিলাকৰ ভিতৰত আছিল কৃষি কাৰ্য সম্পাদন কৰিবলৈ ৰাষ্ট্ৰই লোৱা ব্যৱস্থা, ৰাষ্ট্ৰৰ প্ৰতিনিধিসকলৰ দ্বাৰা খাজনা সংগ্ৰহ কাৰ্য সম্পাদন কৰাতো সুনিশ্চিত কৰা, আৰু ৰাষ্ট্ৰ আৰু গ্ৰাম্য সমাজৰ সম্ভ্ৰান্ত লোকসকলৰ— জমিদাৰসকলৰ— সৈতে ৰাষ্ট্ৰৰ সম্পৰ্ক পৰিচালিত কৰা আদি। আইন-ই আকবৰীৰ প্ৰধান উদ্দেশ্য আছিল আকবৰৰ সাম্ৰাজ্যৰ এক কাল্পনিক চিত্ৰ দাঙি যত এটি শক্তিশালী শাসক শ্ৰেণীয়ে সামাজিক শৃঙ্খলা আৰু সংহতি স্থাপন কৰিছিল। আইন-ই আকবৰীৰ ৰচকৰ দৃষ্টিত মোগল ৰাষ্ট্ৰৰ বিৰুদ্ধে সংঘটিত কোনো ধৰণৰ বিদ্ৰোহ বা স্বায়ত্ব শাসন প্ৰতিষ্ঠা কৰিবলৈ কৰা চেষ্টা ব্যৰ্থতাত পৰ্যবসিত হোৱাতো পূৰ্ব নিৰ্ধাৰিত আছিল। অন্য কথাত আইন-ই আকবৰীৰ পৰা আমি যিখিনি জানিবলৈ পাৰিছোঁ সেইখিনি আছিল কেৱল শাসন ক্ষমতাৰ সৈতে জড়িত ওপৰ মহলাৰ লোকৰপৰা দিয়া মতামত। সৌভাগ্যক্ৰমে অৱশ্যে আইন-ই আকবৰীৰ পৰা পোৱা তথ্য-সমলসমূহৰ উপৰিও মোগল সাম্ৰাজ্যৰ ৰাজধানীৰপৰা যথেষ্ট দূৰত্বত অৱস্থিত অঞ্চলৰ পৰা আহৰণ কৰা তথ্য-পাতিত সন্নিবিষ্ট বিৱৰণকো আইন-ই আকবৰীৰ পৰিপূৰক হিচাপে গ্ৰহণ কৰিব পাৰি। সেইবিলাকৰ ভিতৰত আছে সপ্তদশ শতিকাৰপৰা আৰম্ভ কৰি অষ্টাদশ শতিকালৈ গুজৰাট, মহাৰাষ্ট্ৰ আৰু ৰাজস্থানৰ বিস্তাৰিত ৰূপত লিপিবদ্ধ কৰা ৰাজস্ব সম্পৰ্কীয় নথি-পত্ৰসমূহ। তদুপৰি (ইংলিশ) ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিস্তাৰিতৰূপে লিপিবদ্ধ কৰা নথি-পত্ৰ সমূহেও আমাক তদানীন্তন পূৰ্ব ভাৰতৰ কৃষি-ভূমি আৰু খেতি-বাতি সম্পৰ্কীয় বহু প্ৰয়োজনীয় খা-খবৰৰ যোগান ধৰে (দশম অধ্যায় দ্ৰষ্টব্য)। এই সকলোবিলাক তথ্য-সমলেই তেতিয়া কৃষক, জমিদাৰ আৰু ৰাষ্ট্ৰৰ মাজত সংঘটিত বহু সংঘৰ্ষৰ বিষয়ে অনেক খা-খবৰ লিপিবদ্ধ কৰিছে। সেই প্ৰক্ৰিয়াৰ মাধ্যমতেই উক্ত তথ্য-সমলসমূহে কৃষকসকলে ৰাষ্ট্ৰ সম্পৰ্কে কি চিন্তা কৰিছিল আৰু ৰাষ্ট্ৰৰপৰা তেওঁলোকে কি ধৰণৰ ন্যায় আশা কৰিছিল তাৰ সম্ভেদ দিয়ে।

### ১.২ কৃষক আৰু তেওঁলোকৰ কৃষি ভূমি

মোগল যুগৰ ইন্দো-পাৰ্চিয়ান মূলৰ তথ্য-সমলত কৃষকক খুব সঘনে ৰায়ত (বহু বচনত ৰাইয়া) নতুবা মুজাৰিন ৰূপে উল্লেখ কৰা হৈছিল। ইয়াৰ উপৰিও

DailyAssam.Com



উৎস ১

**কৃষকসকলে ঠাই সলাই থাকে**

তলত দিয়া কথা খিনি ভাৰতীয় কৃষিজীৱী সমাজৰ বৈশিষ্ট্য, এইটোৱে প্ৰথম মোগল সম্ৰাট বাবৰক প্ৰায় জোৰ কৰিয়েই আকৰ্ষিত কৰিছিল, আৰু তেওঁ সেই অভিজ্ঞতাৰ কথা বাবৰ- নামাত (তেওঁৰ জীৱনীত) লিখিছিল ঃ

হিন্দুস্থানত ক্ষুদ্ৰ গাঁও আৰু বৃহৎ গাঁও, আনকি নগৰো, নিমিষতে অদৃশ্য আৰু নিমিষতে স্থাপন কৰা হয়। যদি এখন নগৰৰ মানুহে, তাত বহু বছৰ ধৰি বাস কৰাৰ পিছতো, তাৰপৰা পলাই যায় তেনেহলে তেওঁলোকে সেই কামটো এনেদৰে কৰে যে তাত পিছৰ ডেৰ দিনৰ বাবেও একো চিন-মোকাম নাথাকে। আনহাতে তেওঁলোকে যদি কোনো এঠাইত বসতি কৰোঁ বুলি ঠিৰাং কৰে, তেওঁলোকে খাল খান্দি পানী বৈ নিয়াৰ কোনো প্ৰয়োজন নাই, কাৰণ তেওঁলোকৰ শস্য বৰষুণ নিৰ্ভৰ, আৰু যিহেতু হিন্দুস্থানৰ জনসংখ্যা সীমাহীন সেয়ে তেওঁলোকে জাক পাতি থাকে। তেওঁলোকে এটা পুখুৰী বা কুঁৱা খান্দে; তেওঁলোকে ঘৰ সঁজোৱাৰ বা দেৱাল দিয়াৰ প্ৰয়োজন নাই... ঘাঁহ প্ৰচুৰ, কাঠ সীমাহীন, সাধাৰণ ঘৰ সঁজা হয় আৰু সেইদৰেই তাত থিতাতে এখন গাঁও বা নগৰ গঢ়ি উঠে।

➲ উত্তৰ ভাৰত অঞ্চলৰ কৃষিজীৱনৰ কি কি বৈশিষ্ট্যই বাবৰৰ মনত ৰেখাপাত কৰিছিল, বৰ্ণনা কৰা।

আমি লগতে কিষাণ অথবা অচামী পদবিলকো পাইছোঁ। সপ্তদশ শতিকাৰ তথ্য-সমলত দুই ধৰণৰ কৃষকৰ কথা উল্লেখ আছে— খোদ-কাস্তা আৰু পাহি-কাস্তা। প্ৰথম বিধ কৃষকৰ যিখন গাঁৱত কৃষিভূমি আছিল তেওঁলোক সেইখন গাঁৱৰেই বাসিন্দা আছিল। পিছৰ বিধ কৃষক আছিল বহিৰাগত কৃষক, অন্য গাঁৱৰ বাসিন্দা, তেওঁলোকে অন্য ঠাইত কৃষি ভূমি লৈ বাণিজ্যিক ভিত্তিত কৃষি কাৰ্য সম্পাদন কৰিছিল। মানুহ পাহি-কাস্তা কৃষকত পৰিণত হৈছিল কেতিয়াবা নিজৰ ইচ্ছা অনুযায়ী আৰু কেতিয়াবা বাধ্যত পৰি, পৰিস্থিতিৰ দাস হৈ। যেতিয়া নিজ গাঁৱৰপৰা দূৰত্বত থকা ঠাইত খাজনাৰ বোজা কম আছিল আৰু অধিক উপযোগী বুলি বিবেচিত হৈছিল তেতিয়া মানুহে স্বেচ্ছাই পাহি-কাস্তা কৃষকত পৰিণত হৈছিল। আনহাতে দুৰ্ভিক্ষ আদিৰ প্ৰভাৱত মানুহে আৰ্থিক অনাটনৰ পৰা নিষ্কৃতি পাবলৈ পাহি-কাস্তা কৃষকত পৰিণত হৈছিল।

গড় হিচাপে উত্তৰ ভাৰতৰ কৃষকৰ কাচিৎহে এহাল গৰু আৰু দুখন নাঙল আছিল, অধিকাংশৰ তাতকৈও কমহে আছিল। গুজৰাটত ছয় একৰ ভূমি থকা কৃষকক চহকী কৃষকৰূপে গণ্য কৰা হৈছিল; আনহাতে বংগদেশত গড় হিচাপে পাঁচ একৰ ভূমিয়েই আছিল কৃষি পথাৰৰ উচ্চ সীমা, দহ একৰ ভূমি থাকিলে তেওঁ চহকী খেতিয়ক (আচামী) আছিল। কৃষি কাৰ্য ব্যক্তিগত মালিকী স্বত্বৰ ওপৰত নিৰ্ভৰশীল আছিল। অন্যান্য সা-সম্পত্তিৰ দৰে ভূমি সম্পত্তিও ক্ৰয়-বিক্ৰয় কৰা হৈছিল। ঊনবিংশ শতিকাত দিল্লী-আগ্ৰা অঞ্চলত কৃষকৰ অধিকাৰত থকা কৃষি ভূমিৰ যি বৰ্ণনা পোৱা যায় তাত সপ্তদশ শতিকাতো অৱস্থাটো প্ৰায় একেই আছিল ঃ

> কৃষি কাৰ্যত জড়িত কৃষক (আচামী), যিসকলে নিজে হাল বাইছিল, তেওঁলোকে চিনাক্তকৰণ আৰু সীমা নিৰ্ধাৰণ কৰিবলৈ প্ৰতিটো কৃষি ক্ষেত্ৰৰে সীমা চিহ্নিত কৰিছিল, তেওঁলোকে তেনে কৰিছিল মাটিৰে ওখ আলি বান্ধি, তাত ইঁটা আৰু কাঁইটীয়া ডাল পুতি বা গছ ৰুই, যাতে গাঁও এখনত থকা তেনেকুৱা হাজাৰ হাজাৰ কৃষি ক্ষেত্ৰ গণনা কৰিব পাৰি।

### ১.৩ জলসিঞ্চন আৰু প্ৰযুক্তি

তিনিটা কাৰকে নিৰৱচ্ছিন্ন ভাৱে কৃষি ক্ষেত্ৰৰ সম্প্ৰসাৰণ কাৰ্য সূচীত কৰিছিল— ভূমিৰ প্ৰাচুৰ্যতা, সহজ লভ্য শ্ৰমিক আৰু কৃষকৰ ঘৰ বা বাসস্থান এৰিব পৰা গুণ। যিহেতু কৃষিৰ প্ৰাথমিক লক্ষ্যই হ'ল মানুহক খাদ্যৰ যোগান ধৰা, সেয়ে প্ৰধান উৎপন্ন বস্তু আছিল ধান, ঘেঁহু অথবা কণীধান। সেইবিলাক আছিল সততে উৎপাদন কৰা শস্য। বাৰ্ষিক য'ত ৪০ ইঞ্চি বা তাতকৈ অধিক বৰষুণ হৈছিল সেইবিলাকত সাধাৰণতে ধান আৰু পিছত কিছু খৰখেদাকৈ গম আৰু কণীধানৰ খেতি কৰা হৈছিল।

মৌচুমী জলবায়ু ভাৰতীয় কৃষিৰ মেৰুদণ্ড স্বৰূপ হৈ আহিছে আৰু আনকি এতিয়াও সেই অৱস্থাই বিৰাজ কৰি আছে। কিন্তু কিছুমান শস্য আছে যিবোৰৰ কৃষি কাৰ্যত অতিৰিক্ত পানীৰ প্ৰয়োজন আছে। সেইবিলাক শস্যৰ খেতি কৰিবলৈ হ'লে কৃত্ৰিম জলসিঞ্চনৰ ব্যৱস্থা কৰিব লগা হয়।

জলসিঞ্চন আঁচনিবিলাকে ৰাজ সাহায্যও লাভ কৰিছিল। উদাহৰণ হিচাপে,

DailyAssam.Com



উৎস ২

## গছৰ পুলি আৰু পথাৰত পানী দিয়াৰ ব্যৱস্থা

বাবৰ-নামাৰপৰা লোৱা তলত দিয়া কথাখিনিয়ে সম্ৰাটে উত্তৰ ভাৰতত প্ৰত্যক্ষ কৰা জলসিঞ্চন ব্যৱস্থা সম্পৰ্কে কৰা মন্তব্য ঃ


হিন্দুস্থানৰ অধিকাংশ ভূমিয়েই সমতলত অৱস্থিত। ইয়াৰ নগৰৰ সংখ্যা আৰু কৃষি ভূমি পৰ্যপ্ত যদিও ক'তোৱেই বোৱতী পানীৰ ব্যৱস্থা নাই। ... কাৰণ শস্য আৰু ফল-মূলৰ খেতি কৰিবলৈ একেবাৰে পানীৰ প্ৰায় প্ৰয়োজনেই নাই। শৰৎ কালৰ খেতি বৰষুণৰ বাবে হয়; আৰু আচৰিত লাগিলেও সঁচা যে বসন্ত কালৰ শস্য বৰষুণ নপৰিলেও হয়। (অৱশ্যে) গছৰ পুলিৰ গুৰিলৈ বাল্টিৰে নতুবা ঘুৰ্ঘুৰী বা ঘিলাৰ সহায়ত পানী বোৱাই নিয়া হয়।...

লাহোৰ আৰু দিপালপুৰত (উভয়ে বৰ্তমান পাকিস্তানত) আৰু অন্যান্য ঠাইত মানুহে ঘুৰ্ঘুৰীৰ সহায়ত পানী দিয়ে। কুঁৱাৰ ভিতৰলৈ যাব পৰা দীঘল ৰচীৰে দুটা বৃত্ত সঁজাই সেই বৃত্ত দুটাৰ মাজত কাঠৰ টুকুৰা গাঁঠি দি সেইবিলাকত পানীৰ পাত্ৰ জুৰি দিয়ে। কাঠৰ টুকুৰাৰে সৈতে পাত্ৰ জুৰি দিয়া ৰচী বিলাক ঘুৰ্ঘুৰী লগোৱা কুঁৱাৰ ওপৰত থয়। ঘুৰ্ঘুৰীৰ ধুৰাৰ এটা মূৰত অন্য এটা ঘুৰ্ঘুৰী বহুওৱা হয় আৰু সেইটোৰ কাষতে ওপৰৰ পিনে থকা ধুৰাত অন্য এটা ঘুৰ্ঘুৰী বহুওৱা হয়। শেষৰ ঘুৰ্ঘুৰীটো গৰুৱে টানে আৰু ইয়াৰ দাৰবোৰ দ্বিতীয়টো ঘুৰ্ঘুৰীত লাগি ধৰে আৰু এইদৰে ঘুৰ্ঘুৰীৰ সৈতে সংলগ্ন পাত্ৰটো পানীৰে সৈতে ওপৰলৈ উঠি আহে। পাত্ৰবোৰৰ পৰা পানী পৰা ঠাইত এখন নাওৱা ৰখা হয় আৰু তাৰেপৰাই সকলো ঠাইলৈ পানী বোৱাই নিয়া হয়।

আগ্ৰা, চান্দোৱাৰ আৰু বায়ানা (সকলোবিলাক বৰ্তমান উত্তৰ প্ৰদেশত) আৰু লগতে ওপৰত উল্লেখ কৰি অহা অঞ্চলত মানুহে বাল্টিৰ সহায়ত শস্যত পানী দিয়ে।... কুঁৱাৰ দাঁতিত তেওঁলোকে এটি কাঠৰ ফেৰেংগনি স্থাপন কৰাৰ পিছত সেই ফেৰংগনিৰ মাজত আকৌ এটি ঘূৰিব পৰা হেঁচনি স্থাপন কৰে, তাৰ পিছত বাল্টি এটিত ৰচীৰে বান্ধি দিয়ে, তাৰ পিছত আকৌ ৰচী এদালৰ এটা মূৰ হেঁচনি এটাত থয় আৰু আনটো মূৰ গৰুৰ সৈতে জুৰি দিয়ে। এজনে মানুহে গৰুটো খেদিব লাগে আৰু আনজনে কুঁৱাৰপৰা উঠি অহা পানীৰে ভৰ্তি বাল্টিবিলাক খালী কৰে।

➲ সপ্তম অধ্যায়ত বিজয়নগৰৰ পানীযোগান সম্বন্ধে তুমি যি জানিছা, তাৰ সৈতে বাবৰে লক্ষ্য কৰা পানী যোগান ব্যৱস্থাৰ তুলনা কৰা। এনেধৰণৰ পদ্ধতিসমূহৰ প্ৰত্যেকটোৰ ক্ষেত্ৰত কি কি সমলৰ আৱশ্যক হয়? কৃষি-কাৰিকৰীশৈলী উন্নত কৰিবলৈ ইয়াৰে কোনটো পদ্ধতিয়ে কৃষকৰ যোগদান নিশ্চিত কৰে?

*নক্সা ৮.২*
*নক্সাটোৰ মাধ্যমেৰে এটা পুণৰনিৰ্মিত পাৰস্য দেশীয় ঘুৰ্ঘুৰীৰ বৰ্ণনা দিয়া হৈছে।*



DailyAssam.Com



**ধপাতৰ প্ৰসাৰ**

ধপাতৰ পুলি পোনতে দাক্ষিণাত্যলৈ আহিছিল আৰু তাৰপৰা ই সপ্তদশ শতিকাৰ আদি ভাগতে উত্তৰ ভাৰতলৈ বিয়পি পৰিছিল। আইন-ই আকবৰীয়ে ধপাতক উত্তৰ ভাৰতৰ উৎপাদিত শস্যৰূপে তালিকাভুক্ত কৰা নাই। আকবৰ আৰু তেওঁৰ ডাঙৰীয়াসকলে ১৬০৪ চনতহে ধপাতৰ সংস্ৰৱলৈ আহে। এই সময়তেই ধপাত খোৱাটো (হোকা বা চিলিমত) ব্যাপক হাৰত প্ৰচলিত হৈ পৰে। জাহাংগীৰ ধপাতৰ প্ৰতি মানুহৰ এই আসক্তিৰ বাবে ইমান শংকিত হৈ পৰিছিল যে তেওঁ তাক নিষেধ কৰিছিল। কিন্তু সেইটো ফলপ্ৰসু নহ'ল, কাৰণ সপ্তদশ শতিকাৰ শেহৰ পিনে ধপাত এক প্ৰধান সেৱন দ্ৰব্যত পৰিণত হোৱাৰ লগতে ভাৰতবৰ্ষৰ সকলো ঠাইতে তাৰ খেতি কৰা আৰু আৰু বেহা-বেপাৰৰ পণ্যত পৰিণত হৈছিল।

**কৃষি উন্নয়ন আৰু জনসংখ্যা বৃদ্ধি**

এই ধৰণৰ বিভিন্ন ধৰণৰ কৃষি কাৰ্য আৰু পৰিবৰ্তনশীল কৃষি উৎপাদনৰ ফলশ্ৰুতি আছিল ধীৰ গতিৰে সম্পাদিত হোৱা জনসংখ্যা বৃদ্ধি। মাজে-সময়ে দুৰ্ভিক্ষ আৰু মহামাৰীয়ে বিপৰ্যয়ৰ সৃষ্টি কৰিলেও, অৰ্থনৈতিক ইতিহাসবিদসকলৰ মতে, ১৬০০ ৰ পৰা ১৮০০ চনৰ ভিতৰত ভাৰতবৰ্ষৰ জনসংখ্যা ৫০ নিযুত হৈছিলগৈ, আৰু দুশ বছৰত বৃদ্ধিৰ হাৰ আছিল ৩৩ শতাংশ।

উত্তৰ ভাৰতত চৰকাৰে নতুন খাল (নাহৰ বা নলা) খান্দিবলৈ লোৱাৰ লগতে পৰণিবোৰ, যেনে পাঞ্জাৱত ছাহ নাহৰ খালটো ছাহজাহানৰ ৰাজত্ব কালত মেৰামতি কৰিছিল। কৃষি কাৰ্য যদিও অত্যন্ত শ্ৰমিক নিৰ্ভৰ আছিল, তথাপিও কৃষকে সময়ে সময়ে প্ৰযুক্তিও কামত লগাইছিল, বিশেষকৈ গৰুৰ শক্তি। উদাহৰণ হিচাপে কাঠৰ নাঙলকে ধৰিব পাৰি, ই লঘু যদিও ইয়াৰ সৈতে লোৰ ফাল লগোৱা আছিল। ই সেই কাৰণে অতি গৰমৰ মাহকেইটাত মাটিৰ ৰস অক্ষুণ্ণ ৰাখিব পৰাকৈ দ' সীৰলুৰ সৃষ্টি কৰিব পৰা নাছিল। এহাল প্ৰকাণ্ড বলধে টনা এবিধ বিন্ধা থকা সঁজুলি বীজ সিঁচাৰ বাবে ব্যৱহাৰ কৰা হৈছিল যদিও হাতেৰে বীজ সিঁচাটো আছিল বাহুল্য পৰিমাণে প্ৰচলিত পদ্ধতি। কাঠৰ নাল লগোৱা লোৰ কোৰেৰে কোৰ মৰা আৰু বন নিৰোৱাৰ কাম একে সময়তে সম্পাদন কৰা হৈছিল।

### ১.৪ প্ৰচুৰ শস্য উৎপাদন

কৃষি কাৰ্য সম্পাদন কৰা হৈছিল দুটা প্ৰধান ঋতুক কেন্দ্ৰ কৰি— খাৰিফ (শৰৎ কাল) আৰু ৰবি (বসন্ত কাল)। অৰ্থাৎ আটাইতকৈ শুকান আৰু বস-বাসৰ অনুপযোগী ভূমিৰ বাদে অধিক অঞ্চলতেই বছৰত দুটাকৈ শস্য (ফচল) উৎপাদন কৰা হৈছিল, আনহাতে য'ত বৰষুণ হৈছিল বা জলসিঞ্চন ব্যৱস্থাৰ যোগেদি পানী দিয়াৰ সুবিধা আছিল তাত তিনিটা পৰ্যন্ত শস্য উৎপাদন কৰা হৈছিল। এইটোৱে বিভিন্ন প্ৰকাৰৰ প্ৰচুৰ শস্য উৎপাদন কৰাৰ সুবিধা কৰি দিছিল। উদাহৰণ হিচাপে আইন-ই আকবৰীয়ে সম্ভেদ দিছে যে দুটা ঋতুত মোগল প্ৰদেশ আগ্ৰাত ৩৯ বিধ আৰু দিল্লীত ৪৩ বিধ শস্য উৎপাদন কৰা হৈছিল। অকল বংগদেশতেই ৫০ বিধ বিভিন্ন প্ৰকাৰৰ ধান উৎপাদন কৰা হৈছিল।

সি যি কি নহওক, প্ৰধান শস্য উৎপাদনত মনোনিবেশ কৰা কাৰ্যই এইটো নুবুজায় যে মধ্যযুগত কৃষি কাৰ্য কেৱল জীৱিকা অৰ্জনৰ অৱলম্বন আছিল। আমি আমাৰ তথ্য-সমলসমূহত সততে জিন্‌ছ-ই কামিল (প্ৰকৃত শস্য) আদি শব্দ পাইছোঁ। মোগল চৰকাৰে কৃষকসকলক এনে কিছুমান শস্যৰ খেতি কৰিবলৈ উৎসাহ যোগাইছিল যিবিলাকে অধিক খাজনা আহৰণত সহায় কৰিছিল। কঁপাহ আৰু কুঁহিয়াৰ আছিল জিন্‌ছ-ই কামিল শস্য। মধ্য ভাৰত আৰু দাক্ষিণাত্যৰ মালভূমি অঞ্চলৰ বৃহৎ অঞ্চলত কঁপাহৰ খেতি কৰা হৈছিল, আনহাতে বংগদেশ আছিল কুঁহিয়াৰৰ খেতিৰ বাবে বিখ্যাত। তেনে পণ্য শস্যৰ ভিতৰত বিভিন্ন প্ৰকাৰৰ তৈল জাতীয় শস্যও আছিল, যেনে— সঁৰিয়হ আৰু মচুৰ মাহ। এইদৰে দেখা যায় জীৱিকা উপযোগী শস্যৰ অংগাংগীভাৱে কৃষকসকলে তেওঁলোকৰ কৃষি ক্ষেত্ৰত গড় হিচাপে পণ্য শস্যৰো উৎপাদন কৰিছিল। সপ্তদশ শতিকাত বিশ্বৰ বিভিন্ন প্ৰান্তৰপৰা ভাৰতীয় উপমহাদেশলৈ ভালেমান নতুন শস্য আহিছিল। উদাহৰণ হিচাপে আফ্ৰিকা আৰু স্পেইনৰ মাধ্যমেৰে ভাৰতবৰ্ষত পোনতে গোমধানৰ খেতি কৰিবলৈ লোৱা হৈছিল আৰু সপ্তদশ শতিকাৰ ভিতৰতে পশ্চিম ভাৰতত গোমধানৰ খেতি এক প্ৰধান কৃষি শস্যত পৰিণত হৈছিল। সেই একে

DailyAssam.Com



সময়তে নতুন বিশ্ব তথা আমেৰিকাৰপৰা পাচলি যেনে বিলাহী, আলু আৰু জলকীয়াৰ লগতে মাটি-কঠাল (আনাৰস) আৰু অমিতা আদি ফল ভাৰতবৰ্ষলৈ আহিছিল।

## ২. গ্ৰাম্য সমাজ

ওপৰত উল্লেখ কৰি অহা বিৱৰণৰপৰা এইটো স্পষ্ট হৈ পৰিছে যে কৃষি উৎপাদনৰ সৈতে কৃষকৰ অংশ গ্ৰহণ আৰু অগ্ৰণী ভূমিকা বিশেষকৈ জড়িত আছিল। এইটোৱে মোগল যুগৰ কৃষিজীৱী সমাজখনৰ বিভিন্ন গোটৰ মাজৰ সম্পৰ্কৰ নিৰ্ণয়ৰ ক্ষেত্ৰত কি ধৰণে ক্ৰিয়া কৰিছিল? সেইটো অনুসন্ধান কৰিবলৈ হ'লে আমি কৃষি কাৰ্যৰ সম্প্ৰসাৰণত জড়িত বিভিন্ন সামাজিক গোটবিলাকৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক আৰু দ্বন্দ্বৰ প্ৰতি লক্ষ্য কৰিব লাগিব।

আমি দেখিছোঁ যে কৃষকসকলে তেওঁলোকৰ কৃষি ভূমি ব্যক্তিগত মালিকনা স্বত্বৰ আধাৰত ভোগ-দখল কৰিছিল। সামাজিক অৱস্থানৰ ফালৰপৰা তেওঁলোক যিহেতু বিভিন্ন প্ৰকাৰে পৰস্পৰৰ সৈতে সম্পৰ্কিত আছিল সেয়ে তেওঁলোক একে সময়তেই সামূহিক গ্ৰাম্য সামাজিক গোটৰো অৰ্ন্তগত আছিল। এই গ্ৰাম্য সামাজিক গোটটোৰ তিনিটা প্ৰধান অংগ আছিল— কৃষক, পঞ্চায়ত আৰু গ্ৰাম প্ৰধান (মকাদ্দাম বা মণ্ডল)।

### ২.১ জাতি প্ৰথা আৰু গ্ৰাম্য সামাজিক অৱস্থা


জাতি আৰু জাতি প্ৰথাৰ ওপৰত বৰ্তি থকা গভীৰ অসমতাৰ পৰা এইটো ওলাই পৰিছে যে কৃষকসকল আছিল এটি নানা প্ৰকাৰৰ বাৰে মিহলি সামাজিক গোট। যিসকলে মাটিত হাল বাইছিল বা মাটি চহাইছিল তেওঁলোকৰ বহু সংখ্যকেই অইনৰ ঘৰত চাকৰ-নাকৰ নতুবা কৃষি শ্ৰমিক (মজুৰ) হিচাপে কাম কৰা লোক আছিল। কৃষি ভূমিৰ প্ৰাচুৰ্যতা সত্বেও কিছুমান জাতিৰ লোকক চাকৰ-নাকৰৰ কাম দিয়া হৈছিল আৰু এইদৰে তেওঁলোকক দৰিদ্ৰতালৈ নিক্ষেপ কৰা হৈছিল। তেতিয়া মানুহৰ লোক পিয়ল কৰা হোৱা নাছিল যদিও আমি যি যৎসামান্য তথ্য-পাতি পাইছোঁ সেইবিলাকে সাব্যস্ত কৰিছে যে তেনে লোকৰ গোটে গ্ৰাম্য সমাজখনৰ বহু সংখ্যক লোককে সামৰি লৈছিল। তেওঁলোকৰ ধন-বিত আছিল যৎসামান্য, আৰু বৰ্ণবাদী আদৰ্শৰ আধাৰত বৰ্তি থকা সমাজত তেওঁলোকে সকলোতে বাধাৰ সন্মুখীন হৈ আহিছিল, আৰু তেওঁলোকৰ সামাজিক অৱস্থান আছিল বৰ্তমান ভাৰতবৰ্ষৰ দলিতসকলৰ লেখীয়া। এই ধৰণৰ সামাজিক বৈষম্যবিলাক অন্যান্য সামাজিক গোট-বিলাকলৈও বিয়পি পৰিবলৈ

➲ আলোচনা কৰা...

দ্বিতীয় অধ্যায় আৰু এইটো অনুচ্ছেদত বৰ্ণনা কৰা প্ৰযুক্তিশৈলী আৰু কৃষি পদ্ধতিৰ মাজত থকা যেন লগা সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ চিনাক্ত কৰা।

নক্সা ৮.৩
*ঊন বিংশ শতিকাৰ আদি ভাগৰ এখন অঙ্কিত ৰঙীন চিত্ৰত পঞ্জাবৰ এখন গাঁৱৰ চিত্ৰ প্ৰদৰ্শিত হৈছে।*

➲ ব্যাখ্যামূলক চিত্ৰাঙ্কন আৰু স্থাপত্যৰ যোগেদি পুৰুষ আৰু মহিলাসকলে কি কি কৰি থকা দেখুওৱা হৈছে?



DailyAssam.Com



লৈছিল। মুছলমান সমাজত হালালখোৰাণ (মেতৰ) বোলা চাকৰসকলক গাঁবৰ সীমাৰ বাহিৰত থাকিবলৈ বাধ্য কৰোৱা হৈছিল; ঠিক তেনেকৈ বিহাৰত মল্লাহজাদান (নাৰৰীয়াৰ ল'ৰা) দাসৰ সমপৰ্যায়ৰ আছিল।

সমাজৰ নিম্ন পৰ্যায়ত বৰ্ণ প্ৰথা, দৰিদ্ৰতা আৰু সামাজিক মৰ্যাদাৰ মাজত পাৰস্পৰিক সম্বন্ধ বিৰাজ কৰিছিল। এই ধৰণৰ সম্বন্ধ মধ্যম স্তৰত ইমান চকুত পৰা বিধৰ নাছিল। ব্যৱহাৰিক দিশত সপ্তদশ শতিকাৰ মাৰোৱাৰত ৰাজপুতসকলক কৃষক হিচাপে গণ্য কৰা হৈছিল আৰু সামাজিক আদান-প্ৰদানত তেওঁলোক জাতসকলৰ সমপৰ্যায়ৰ আছিল যদিও বৰ্ণ প্ৰথা অনুযায়ী জাতসকল নিম্ন পৰ্যায়ৰ আছিল। সপ্তদশ শতিকাত বৃন্দাবনৰ (উত্তৰ প্ৰদেশ) আশ-পাশে খেতি-খোলা কৰি জীৱন নিৰ্বাহ কৰা গৌৰৱসকলে ৰাজপুত হিচাপে স্বীকৃতি বিচাৰিছিল। গো-পালন আৰু ফল-মূলৰ খেতি তেতিয়া সমাজত লাভজনক বিবেচিত হোৱাত আহিৰ, গুজৰ আৰু মালী আদি জাতিয়ে বৰ্ণ প্ৰথাৰ জখলাত ওপৰলৈ উঠিছিল। পূৰ্বাঞ্চলত মধ্যম বৰ্তী পশুপালক আৰু মাছমৰীয়া, যেনে— চাদগোপ আৰু কৈবৰ্তসকলে কৃষকৰ মৰ্যাদা লৈছিল।

## ২.২ পঞ্চায়ত আৰু গ্ৰাম প্ৰধান

গাঁও পঞ্চায়ত আছিল গাঁৱৰ জ্যেষ্ঠ লোকসকলৰ এখন সভা। সাধাৰণতঃ পৈতৃক সা-সম্পত্তিৰ ওপৰত অধিকাৰ থকা প্ৰধান লোকসকলেই আছিল গাঁও পঞ্চায়তৰ সদস্য। বিভিন্ন বৰ্ণৰ লোক বাস কৰা গাঁৱৰ পঞ্চায়ত প্ৰায়েই বাৰে মিহলি সংগঠন আছিল। তেনে অৱস্থাত পঞ্চায়ত আছিল প্ৰায় কুলীনাধিপত্য থকা এক সংগঠন, যদিও ই গাঁৱৰ বিভিন্ন বৰ্ণ আৰু গোটক প্ৰতিনিধিত্ব কৰিছিল, গাঁৱত থকা চাকৰ আৰু কৃষি শ্ৰমিকে তাত প্ৰতিনিধিত্ব পোৱা নাছিল। এই ধৰণৰ পঞ্চায়ত বিলাকে লোৱা সিদ্ধান্ত গাঁৱৰ সকলো সদস্যৰ বাবে বাধ্যতামূলক আছিল।

পঞ্চায়ত সদায়েই এজন গাঁও বুঢ়াৰ দ্বাৰা পৰিচালিত হৈছিল, তেওঁক মোকাদ্দাম বা মণ্ডল বোলা হৈছিল। কিছুমান তথ্য-সমলে সম্ভেদ দিছে যে গাঁও বুঢ়া জনক গাঁৱৰ জ্যেষ্ঠ লোকসকলৰ দ্বাৰা সৰ্বসন্মতভাৱে বাছনি কৰা হৈছিল আৰু তেওঁৰ বাছনিক জমিদাৰে অনুমোদন জনোৱাটো বাধ্যতামূলক আছিল। গাঁও বুঢ়াসকলে গাঁৱৰ জ্যেষ্ঠ লোকসকলৰ বিশ্বাস অটুট ৰখা পৰ্যন্ত নিজ নিজ পদবীত সমাসীন হৈ আছিল, তাৰ অন্যথা হ'লে তেওঁলোকে গাঁও বুঢ়াক পদবীৰপৰা অপসাৰিত কৰিছিল। গাঁও বুঢ়াৰ প্ৰধান কাম আছিল গাঁৱৰ হিচাপ-নিকাচ প্ৰস্তুত কৰা কামৰ তদাৰক কৰাটো। তেওঁক সেই কামত পঞ্চায়তৰ গাণনিক বা পাটোৱাৰীজনে সহায় কৰিছিল।

পঞ্চায়তৰ পুঁজি গঠিত হৈছিল এটি সামূহিক ভঁৰাললৈ ব্যক্তিগতভাৱে কৰা দানৰ ওপৰত ভিত্তি কৰি। পুঁজিত গোট খোৱা ধন-বিত খৰছ কৰা হৈছিল চৰকাৰী ৰাজহ বিষয়াক আপ্যায়ন কৰা কাৰ্যত। ৰাজহ বিষয়াই সমসে সময়ে গাঁও ভ্ৰমণ কৰিছিল। সমাজে সন্মুখীন হোৱা প্ৰাকৃতিক দুৰ্যোগৰ— যেনে, বানপানী— পৰা সকাহ পাবলৈও এই পুঁজিৰ ধন খৰছ কৰা হৈছিল। মাজে-সময়ে এই পুঁজিৰ ধন বান্ধ বন্ধা আৰু খাল খান্দি শস্য পথাৰলৈ পানী যোগান ধৰা কামতো খৰছ কৰা

### দুৰ্নীতিগ্ৰস্ত মণ্ডল

মণ্ডলসকলে মাজে-সময়ে তেওঁলোকৰ পদমৰ্যাদাৰ অপব্যৱহাৰ কৰিছিল। পাটোৱাৰীৰ সৈতে মিলিত হৈ তেওঁলোকে গাঁৱৰ কৃষি ভূমিৰ হিচাপ-নিকাচৰ ইফাল-সিফাল কৰিছিল বুলি অভিযোগ উত্থাপিত হৈছিল, বিশেষকৈ তেওঁলোকৰ নিজৰ কৃষি ভূমিৰ খাজনা নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত আৰু তাৰ জৰিয়তে তেওঁলোকে দিব লগীয়া খাজনাৰ বোজা অন্য সাধাৰণ কৃষকৰ ওপৰত জাপি দিছিল।

DailyAssam.Com





নক্সা ৮.৪
গাঁৱৰ জ্যেষ্ঠলোক আৰু কৰ সংগ্ৰহকাৰীসকলৰ মেল
(ঊনবিংশ শতিকাৰ আদি ভাগৰ এখন ৰঙীন অঙ্কিত চিত্ৰ)

⮊ শিল্পীয়ে গাঁৱৰ জ্যেষ্ঠলোক আৰু কৰ সংগ্ৰহকাৰীসকলৰ মাজত থকা পাৰ্থক্য কিদৰে ফুটাই তুলিছে?

হৈছিল, যিহেতু তেওঁলোকে নিজা বৰীয়াকৈ তেনে কাম কৰিব নোৱাৰিছিল। গাঁও পঞ্চায়তৰ এটি গুৰুত্বপূৰ্ণ কাম আছিল যাতে গাঁৱত বসবাস কৰা প্ৰতিটো বৰ্ণৰ মাজত প্ৰচলিত বৰ্ণ প্ৰথা সকলোৱে মানি চলে সেইটো তদাৰক কৰাতো। পূৰ্বভাৰতত সকলো বিবাহ কাৰ্য মণ্ডল জনৰ উপস্থিতিত সম্পাদন কৰা হৈছিল। অইন কথাত গাঁও বুঢ়াজনৰ অন্যতম কাম আছিল গ্ৰাম্য সমাজখনৰ সদস্যসকলৰ কাম-কাজৰ ওপৰত নজৰ ৰখাতো, "প্ৰধানকৈ তেওঁলোকৰ জাতিৰ যাতে কোনো ক্ষতি কৰা নহয়।"

পঞ্চায়তৰ কোনো দোষী লোকৰ ওপৰত জৰিমনা বহুওৱাৰ কৰ্তৃত্ব থকাৰ লগতে গাঁৱৰপৰা বহিষ্কাৰ কৰাৰ দৰে কঠোৰ শাস্তি বিহিব পৰা ক্ষমতাও ন্যস্ত আছিল। পিছৰটো শাস্তি বৰ কঠোৰ আছিল সেয়ে তেনে শাস্তিৰ ইয়াৰ ম্যাদ কম সময়ৰ বাবে সীমিত আছিল। গাঁৱৰপৰা বহিষ্কৃত লোকজন বিজাতীয় লোকৰূপে পৰিগণিত হৈছিল আৰু তেওঁ নিজৰ বৃত্তি চলাই যোৱাৰ অধিকাৰ হেৰুৱাইছিল। তেনে ধৰণৰ ব্যৱস্থা সমাজত প্ৰচলিত বৰ্ণ তথা জাত-প্ৰথা উলঙ্ঘা কৰাৰ ক্ষেত্ৰত এক প্ৰতিষেধক হিচাপে কাম কৰিব বুলি ধৰি লোৱা হৈছিল।

গাঁও পঞ্চায়তৰ উপৰিও প্ৰতিখন গাঁৱতে প্ৰতিটো জাতি বা বৰ্ণৰে নিজস্ব জাতি পঞ্চায়তো আছিল। এই পঞ্চায়ত বিলাকেও গ্ৰাম্য সমাজত যথেষ্ট ক্ষমতাৰ অধিকাৰী আছিল। ৰাজস্থানত জাতি পঞ্চায়তে বিভিন্ন জাতি বা বৰ্ণৰ মাজত সাধাৰণ বিচাৰ কাৰ্য সম্পাদন কৰিছিল। এই পঞ্চায়তবিলাকে বিভিন্ন সামাজিক ক্ষেত্ৰত ক্ষমতা প্ৰয়োগ কৰিছিল— যেনে, ভূমি বিবাদৰ মীমাংসাৰ ক্ষেত্ৰত মধ্যস্থতা কৰা, কোনো এটা বিশেষ জাতি বা বৰ্ণৰ মাজত প্ৰচলিত ৰীতি-নীতি অনুযায়ী বিয়া-বাৰু সম্পাদন হৈছে নে নাই তাৰ মীমাংসা কৰা, গাঁৱৰ উৎসৱ-পাৰ্বনত ধৰ্মীয় ক্ৰিয়া-কাণ্ড সম্পাদন কৰাৰ বাবে কোনজন ব্যক্তিৰ অগ্ৰাধিকাৰ আছে তাক ঠিৰাং কৰা, ইত্যাদি ইত্যাদি।

পশ্চিম ভাৰতৰ— বিশেষকৈ ৰাজস্থান আৰু মহাৰাষ্ট্ৰৰ— মহাফেজখানাৰ নথি-পত্ৰৰ মাজত কৃষকৰপৰা বলপূৰ্বকভাৱে খাজনা আদায় কৰা আৰু বিনা বেতনে কাম কৰিবলৈ অৰ্থাৎ বেগাৰ খাটিবলৈ বাধ্য কৰোৱাৰ বিৰুদ্ধে পঞ্চায়তৰ ওচৰত দাখিল কৰা দৰখাস্ত আছে। এই আবেদন বিলাক সাধাৰণতে গ্ৰাম্য সমাজৰ নিম্ন বৰ্ণৰ লোকৰ দ্বাৰা দাখিল কৰা হৈছিল। সেই ধৰণৰ দৰখাস্ত বিলাক সততে একেটা জাতিৰে (বৰ্ণৰে) ভালেমান কৃষকে একেলগে মিলিজুলি তেওঁলোকে উচ্চ বৰ্ণৰ সম্ভ্ৰান্ত লোকে নৈতিকভাৱে অবৈধ খাজনাৰ বোজা জাপি দিয়া কাৰ্যৰ বিৰোধিতা কৰি দাখিল কৰিছিল। সেইবিলাকৰ ভিতৰত আছিল অতিৰিক্ত খাজনা আদায় কৰিবলৈ লোৱা ব্যৱস্থাৰ প্ৰতিবাদত দাখিল কৰা দৰখাস্ত, কিয়নো তেনে

DailyAssam.Com




ব্যৱস্থাই অনাবৃষ্টি অথবা অন্যান্য বিপৰ্যয়ৰ সময়ত কৃষকৰ জীৱন-জীবিকাৰ পথ বিপদগ্ৰস্ত কৰিছিল। দৰখাস্তকাৰীসকলৰ দৃষ্টিত জীয়াই থকাৰ বাবে খাদ্যকে ধৰি নিম্নতম বস্তু-বাহানীৰ ওপৰত মানুহৰ অধিকাৰ দেশদস্তুৰৰ ফালৰপৰা স্বীকৃত। তেওঁলোকে গাঁও পঞ্চায়তক বিচাৰৰ বাবে প্ৰাৰ্থনা কৰা আদালত হিচাপে গণ্য কৰিছিল। জোৰ-জুলুমৰ সন্মুখীন হোৱা কৃষকসকলে এইটো আশা কৰিছিল যে পঞ্চায়তে চৰকাৰৰ দ্বাৰা নৈতিক দায়িত্ব পালন কৰাৰ উপৰিও সমাজত ন্যায় প্ৰতিষ্ঠা কৰাৰ দিশত নিশ্চয়তা প্ৰদান কৰাত নিজস্ব ভূমিকা লব। নিম্ন বৰ্ণৰ কৃষক আৰু চৰকাৰী বিষয়া-কৰ্মচাৰী অথবা নিম্ন বৰ্ণৰ কৃষক আৰু জমিদাৰৰ মাজৰ বিবাদত পঞ্চায়তে লোৱা সিদ্ধান্ত পৃথক পৃথক আছিল। খাজনাৰ অতিপাত বৃদ্ধিকৰণৰ ক্ষেত্ৰত পঞ্চায়তে প্ৰায়েই সমিলমিলেৰে উভয় পক্ষৰ মাজত সমস্যাটো মিতমাত কৰাৰ পোষকতা কৰিছিল। যেতিয়া আপোচৰ মাজেৰে সমস্যা সমাধনত ব্যৰ্থ হৈ পৰিছিল তেনে অৱস্থাত কৃষকসকলে প্ৰতিৰোধৰ বাবে কঠোৰ ব্যৱস্থা হাতত লৈছিল— যেনে গাঁও ত্যাগ কৰা কাৰ্য। সহজে ছন পৰি থকা ভূমিৰ প্ৰাচুৰ্যতা আৰু শ্ৰম শক্তিৰ বাবে চলি থকা প্ৰতিদ্বন্দ্বিতাৰ পৰিপ্ৰেক্ষিতত গাঁও ত্যাগ কৰা ব্যৱস্থাটো কৃষকসকলৰ হাতত এপাত ক্ৰিয়াশীল অস্ত্ৰ হৈ পৰিছিল।

নক্সা ৮.৫

সপ্তদশ শতিকাৰ অঙ্কিত চিত্ৰকলত বয়ন শিল্পজাত সামগ্ৰী দৃশ্যমান হৈছে।

➲ ব্যাখ্যামূলক চিত্ৰাঙ্কনৰ যোগেদি কি দেখুওৱা হৈছে বৰ্ণনা কৰা।



## ২.৩ গ্ৰাম্যাঞ্চলৰ কাৰিকৰ

গাঁৱৰ অন্য এটা আকৰ্ষণীয় দিশ আছিল বিভিন্ন উৎপাদনকাৰীৰ মাজত নিয়াৰিকৈ চলি অহা বিনিময় ব্যৱস্থা। মাৰাঠী দস্তাবেজ আৰু বৃটিশ আমোলৰ আদি ভাগত সম্পাদন কৰা অনুসন্ধান কাৰ্যই গ্ৰাম্যাঞ্চলত যথেষ্ট সংখ্যক কাৰিকৰ থকাটোৰ সাক্ষ্য বহন কৰিছে, কেতিয়াবা মুঠ পৰিয়ালৰ ২৫ শতাংশ পৰিয়াল আছিল কাৰিকৰ। আনহাতে গ্ৰাম্য সমাজত কাৰিকৰ আৰু কৃষকৰ মাজৰ পাৰ্থক্য আছিল তৰল, যিহেতু বহু গোট একেসময়তে হস্তশিল্প আৰু কৃষি উভয় কাৰ্যতে জড়িত আছিল। কৃষক আৰু কৃষকৰ পৰিয়ালৰ লোক হস্ত শিল্পজাত সামগ্ৰী তৈয়াৰ কৰাত জড়িত আছিল— যেনে, কাপোৰত ৰং দিয়া আৰু ছাপ মৰা, মাটিৰ পাত্ৰ শুকোৱা আৰু পোৰা, আৰু লগতে কৃষিৰ সঁজুলিৰ মেৰামতি আৰু নতুনকৈ তৈয়াৰ কৰা আদি। কৃষি কাৰ্যৰ বিভিন্ন স্তৰত যেতিয়া অৱসৰ ওলাই— যেনে বীজ সিঁচাৰপৰা বন নিৰোৱালৈ, নতুবা বন নিৰোৱাৰ পৰা শস্য চপোৱালৈ— তেনে সময়তে কৃষকে হস্ত শিল্পৰ কামত ব্যস্ত হ'ব পাৰিছিল। গাঁৱৰ কাৰিকৰসকল — যেনে, কুমাৰ, কমাৰ, কাঠ মিস্ত্ৰি, নাপিত আৰু আনকি

DailyAssam.Com



স্বৰ্ণকাৰ— সকলোৱে গাঁওবাসীৰ প্ৰতি বিশেষ সেৱাৰ যোগান ধৰিছিল আৰু তাৰ কাৰণে গাঁওবাসীয়ে তেওঁলোকক বিভিন্ন প্ৰকাৰে পাৰিতোষিক দিছিল। সেই ধৰণৰ পাৰিতোষিক দিয়াৰ ভিতৰত পৰিছিল শস্যৰ এটা অংশ দিয়া, আৰু নতুবা কৃষি ভূমি আৱন্তন দিয়া, সম্ভৱতঃ কৃষি উপযোগী হৈ পৰি থকা মাটি, আৰু এইবিলাক ক্ষেত্ৰত সিদ্ধান্ত লৈছিল গাঁও পঞ্চায়তে। মহাৰাষ্ট্ৰত সেই ধৰণৰ ভূমি কাৰিকৰ বা হস্ত শিল্পীৰ *মিৰাছ* বা *ৱাটন* অৰ্থাৎ তেওঁলোকৰ উত্তৰাধিকাৰ সূত্ৰে লাভ কৰা ভূমিত পৰিণত হৈছিল। অন্য এক প্ৰকাৰৰ পাৰিতোষিক আছিল এনে ধৰণৰ য'ত কাৰিকৰ আৰু প্ৰতিটো কৃষক পৰিয়ালেই পাৰস্পৰিক চুক্তিৰ জৰিয়তে সেৱাৰ বাবদ বস্তু-বাহানি দিয়াৰ ব্যৱস্থা কৰিছিল। উদাহৰণ হিচাপে, অষ্টাদশ শতিকাৰ নথি-পত্ৰৰ পৰা জনা যায় যে বংগদেশৰ জমিদাৰসকলে কমাৰ, কাঠ মিস্ত্ৰি আৰু আনকি স্বৰ্ণকাৰক তেওঁলোকৰ সেৱাৰ বিনিময়ত "দৈনিক এটি সাধাৰণ ভাট্টা আৰু খোৰাকী দিছিল।" সেইটোকে পিছৰ পিনে জজমানী প্ৰথা বোলা হৈছিল, যদিও শব্দটো ষোড়শ আৰু সপ্তদশ শতিকাত প্ৰচলিত হোৱা নাছিল। এই ধৰণৰ উদাহৰণ বিলাক সঁচায়েই আমোদজনক, কিয়নো এইবিলাকে গ্ৰাম্যাঞ্চলত ক্ষুদ্ৰ পৰ্যায়ত প্ৰচলিত এক আউলীয়া বিনিময় প্ৰথাৰ ইংগিত বহন কৰে। অৱশ্যে মুদ্ৰাৰ মাধ্যমত পাৰিতোষিক দিয়া কাৰ্যও তেতিয়া একেবাৰে অজ্ঞাত নাছিল।

### ২.৪ এখন ক্ষুদ্ৰ প্ৰজাতন্ত্ৰ

মানুহে বাৰু গ্ৰাম্য সমাজৰ তাৎপৰ্য কি ধৰণে অনুধাৱন কৰে? ঊনবিংশ শতাব্দীত কোনো কোনো বৃটিশ বিষয়াই গ্ৰাম্য সমাজখনক ভ্ৰাতৃত্ববোধৰ আধাৰত গঠিত এক ক্ষুদ্ৰ প্ৰজাতন্ত্ৰৰূপে গণ্য কৰিছিল, আৰু সেই সমাজখনৰ সকলো সম্পদ আৰু শ্ৰমেই তেওঁলোকে সামূহিক স্বাৰ্থত ব্যৱহাৰ কৰিছিল। অৱশ্যে সেইটো গ্ৰাম্য সমাজৰ সমতাৰ চিন নাছিল, অৰ্থাৎ গাঁৱৰ সকলো মানুহেই সকলো সম্পদ সমানে ভোগ কৰিব পৰা নাছিল। তাত সম্পত্তিৰ ওপৰত ব্যক্তিগত মালিকনা স্বত্বৰ প্ৰচলন থকাৰ উপৰিও আছিল বৰ্ণ আৰু লিংগৰ ওপৰত নিৰ্ভৰশীল দুৰ্ঘোৰ অসমতা আৰু বৈষম্য। এটি শক্তিশালী গোটে গাঁওখনৰ সকলো বিষয়ৰ ওপৰতেই সিদ্ধান্ত লৈছিল, সামজৰ দুৰ্বল অংশৰ লোকক শোষণ কৰিছিল আৰু বিচাৰ কাৰ্য চলোৱাৰ কৰ্তৃত্ব লাভ কৰিছিল।

গুৰুত্বপূৰ্ণ কথা আছিল এইটো যে ইতিমধ্যে বাণিজ্যৰ জৰিয়তে গাঁও আৰু নগৰ-চহৰৰ মাজত এটি বিত্তীয় লেন-দেনৰ সম্পৰ্ক গঢ়ি উঠিছিল। মোগল সাম্ৰাজ্যৰ মূল অংশতো ৰাজস্বৰ পৰিমাণ টকাৰ মাধ্যমতেই নিৰ্ধাৰণ আৰু সংগ্ৰহ কৰা হৈছিল। ৰপ্তানি বাণিজ্যৰ বাবে উৎপাদন কাৰ্যত জড়িত কাৰিকৰে (বিশেষকৈ শিপিনি বা শিপিনীয়ে) তেওঁলোকৰ আগধন বা মজুৰি টকাৰ মাধ্যমতেই লাভ কৰিছিল, আৰু ঠিক তেনেকৈ বাণিজ্যিক শস্যৰ— যেনে কঁপাহ, পাট বা নীল— উৎপাদন কৰ্তাসকলেও টকাৰ মাধ্যমতেই মূল্য পাইছিল।

DailyAssam.Com



**গ্ৰাম্যাঞ্চলত টকা**

সপ্তদশ শতিকাত ভাৰত ভ্ৰমণ কৰা ফৰাছী পৰ্যটক জা বেপ্‌তিষ্ট টেভাৰ্নিয়াৰে লক্ষণীয়ভাৱে প্ৰত্যক্ষ কৰিছিল যে টকা-পইচাৰ লেন-দেন কৰিব পৰা বেপাৰী তথা শ্ৰোফ নথকা গাঁওখন খুব ক্ষুদ্ৰ পৰ্যায়ৰ হ'বলৈ বাধ্য হৈছিল। তেওঁলোকে অলৈ-তলৈ টকা পঠিওৱা বেংকাৰ হিচাপে কাম কৰিছিল, আৰু তেওঁলোকে ইচ্ছা মতে পইচাৰ বাবে টকাৰ মূল্যমান আৰু কৰিব বাবে পইচাৰ মূল্যমান বৃদ্ধি কৰিছিল।



নক্সা ৮.৬
*ধনৰ আদান-প্ৰদানকাৰী ব্যৱসায়ী এজনক কৰ্মৰত অৱস্থাত দেখা গৈছে।*



নক্সা ৮.৭
*সূতা কাটি থকা এগৰাকী মহিলা।*

## ৩. কৃষি ভিত্তিক সমাজত মহিলাৰ স্থান

অন্যান্য বহুবিলাক সমাজত দেখাৰ দৰে উৎপাদন প্ৰক্ৰিয়াত পুৰুষ আৰু মহিলা উভয়েই কিছুমান নিৰ্দিষ্ট ভূমিকা পালন কৰে। আমি আলোচনা কৰি থকা প্ৰসংগতো পুৰুষ আৰু মহিলা উভয়েই কৃষি পথাৰত কান্ধত কান্ধ মিলাই সমানে সমানে কাম কৰিব লগা হৈছিল। পুৰুষে মাটি চহাইছিল, হাল বাইছিল, তিৰোতাই বীজ সিঁচিছিল, বন নিৰাইছিল, আৰু শস্যৰ মৰণা মাৰিছিল আৰু কুলাৰে জাৰি সেইবোৰ চফা কৰিছিল। যিবিলাক গাঁৱক কেন্দ্ৰ কৰি অন্যান্য গাঁওৰ সৃষ্টি হৈছিল আৰু য'ত ব্যক্তি কেন্দ্ৰিক কৃষি কাৰ্যৰ সম্প্ৰসাৰণ ঘটিছিল, আৰু যিটো আছিল মধ্যযুগৰ ভাৰতীয় কৃষিৰ বৈশিষ্ট্য, উৎপাদনৰ ভিত্তি আছিল গোটেই ঘৰখন বা পৰিয়ালটোৰ শ্ৰমশক্তি আৰু ধন-বিত। স্বাভাৱিকতে তেনে এটা অৱস্থাত মহিলাসকলক ঘৰৰ ভিতৰতে আবদ্ধ কৰি পুৰুষকসকলক বাহিৰৰ কাম ব্যস্ত ৰখাটো সম্ভৱ হৈ উঠা নাছিল, অৰ্থাৎ মহিলা আৰু পুৰুষক নিজৰ নিজৰ কামত আবদ্ধ কৰি ৰখাৰ পৰিবেশ সৃষ্টি হোৱা নাছিল। তৎসত্বেও মহিলাৰ জৈৱিক ক্ৰিয়াৰ সীমাবদ্ধতা সম্পৰ্কেথকা ধাৰণা সমাজত চলি আহিছিল। পশ্চিম ভাৰতত মাহিলি অসুবিধাৰ কালছোৱাত মহিলাৰ বাবে নাঙল বা (কুমাৰৰ) চাক স্পৰ্শ কৰাটো আৰু ঠিক তেনেকৈ বংগদেশত পানৰ বাৰীত সোমোৱাটো নিষেধ আছিল। ভালেমান হস্তশিল্পৰ কাম— যেনে, সূতা কটা, মাটিৰ পাত্ৰ তৈয়াৰ কৰিবলৈ মাটি চালি-জাৰি চোৱা আৰু মোহৰা কাম, কাৰ্শীপি কাম অৰ্থাৎ কাপোৰত গুণাৰ কাম আদি মহিলাৰ শ্ৰম শক্তিৰ ওপৰত নিৰ্ভৰশীল আছিল। বাণিজ্যিক পণ্য হিচাপে তাৰ যিমানেই মূল্য আছিল, সিমানেই সেই পণ্য বিধ তৈয়াৰ কৰিবলৈ মহিলাৰ শ্ৰম শক্তিৰ চাহিদাও আছিল। দৰাচলতে কৃষি কাৰ্য আৰু হস্তশিল্পৰ কামত জড়িত মহিলাই অকল যে খেতি পথাৰতেই কাম কৰিছিল তেনে নহয়, তেওঁলোকে কৰ্ম সংস্থান দিওতাৰ ঘৰলৈ আৰু নতুবা প্ৰয়োজন হ'লে বজাৰলৈও গৈছিল। কৃষিজীৱী সমাজ সদায়েই শ্ৰমিক নিৰ্ভৰ আছিল বাবে মহিলাক সেই সমাজত এক সম্পদ হিচাপে গণ্য কৰা হৈছিল কিয়নো তেওঁলোক সন্তান জন্ম দিব পৰা ক্ষমতাৰ অধিকাৰী আছিল। সেই একেই সময়তে আকৌ ভালেমান কাৰণত সমাজত মহিলাৰ সংখ্যা হ্ৰাস পাইছিল, সেইবিলাকৰ ভিতৰত অপুষ্টি, সঘনে সন্তান সম্ভৱা হোৱা, সন্তান প্ৰসৱৰ সময়ত মৃত্যু হোৱা আদি। এইবিলাক কাৰণতেই কৃষিজীৱী আৰু হস্তশিল্পৰ সৈতে জড়িত লোকৰ সমাজত বিশেষ ধৰণৰ সামাজিক ৰীতি-নীতিৰ উদ্ভৱ হৈছিল আৰু সেই ধৰণৰ সামাজিক ৰীতি-নীতি সম্ভ্ৰান্ত সমাজত প্ৰচলিত ৰীতি-নীতিৰপৰা সম্পূৰ্ণ পৃথক আছিল। বিয়াৰ বাবে গ্ৰাম্য সমাজত যৌতুকৰ বিপৰীতে কন্যাৰ মাক-দেউতাকক কন্যাৰ দাম দিয়াৰ নিয়ম প্ৰচলিত আছিল। পত্নী হাৰা লোক আৰু বিধবা উভয়ৰে বাবে পুনৰ বিবাহ ন্যায়সংগত বিবেচিত হৈছিল।

সন্তান জন্ম দিব পৰা শক্তি আছিল বাবেই তিৰোতাৰ ওপৰত নিয়ন্ত্ৰণ হেৰুওৱাৰ ভীতিটো সদায়েই গুৰুত্বপূৰ্ণ বিবেচিত হৈছিল। প্ৰচলিত সামাজিক নিয়মমতে পৰিয়ালটো এজন পুৰুষৰ দ্বাৰা পৰিচালিত হৈছিল। সেয়ে পৰিয়াল আৰু সমাজৰ পুৰুষ সকলে তিৰোতাসকলক কঠোৰ নিয়ন্ত্ৰণত ৰাখিছিল। অবিশ্বাস বা ব্যভিচাৰত

DailyAssam.Com



লিপ্ত হোৱা বুলি সন্দেহ হ'লে তেনে তিৰোতাৰ ওপৰত সমাজৰ পুৰুষসকলে কঠোৰ শাস্তি বিহিব পাৰিছিল।

ৰাজস্থান, গুজৰাট আৰু মহাৰাষ্ট্ৰ আদি পশ্চিম ভাৰতীয় ৰাজ্যসমূহৰপৰা পোৱা নথি-পত্ৰ সমূহৰ মাজত মহিলাসকলে পঞ্চায়তৰ ওচৰত জোৰ-জুলুমৰ প্ৰতিকাৰ আৰু ন্যায় বিচাৰি দাখিল কৰা দৰখাস্তৰ নমুনা উদ্ধাৰ কৰা হৈছে। উক্ত দৰখাস্তবোৰৰপৰা জনা গৈছে যে স্বামীৰ ভ্ৰষ্টাচাৰ আৰু বিশ্বাসহীনতা আৰু স্ত্ৰীৰ লগতে সন্তান-সন্ততিক ভৰণ পোষণ নিদিয়াৰ বাবে স্ত্ৰীয়ে স্বামীৰ (গৃহস্থৰ) বিৰুদ্ধে প্ৰতিবাদ কৰি ন্যায় বিচাৰিছিল। ভ্ৰষ্টাচাৰত লিপ্ত পুৰুষক সকলো সময়তে শাস্তি প্ৰদান কৰা হোৱা নাছিল যদিও ৰাষ্ট্ৰ আৰু উচ্চ বৰ্ণৰ লোকে তেনে পৰিয়ালৰ উপযুক্ত ভৰণ-পোষণৰ প্ৰশ্নত সমষ্টিগতভাৱে হস্তক্ষেপ কৰিছিল। মহিলাই পঞ্চায়তৰ ওচৰত আপত্তি দৰ্শালে বহু ক্ষেত্ৰতে নথি-পত্ৰত তেনে মহিলাৰ নাম নথিভুক্ত কৰা হোৱা নাছিলঃ দৰখাস্তকাৰী মহিলাক পৰিয়ালৰ প্ৰধান পুৰুষজনৰ মাতৃ, ভগ্নী বা স্ত্ৰী হিচাপেহে উল্লেখ কৰা হৈছিল।

ভূস্বামীসকলৰ পৰিয়ালত মহিলাই উত্তৰাধিকাৰ সূত্ৰে সম্পত্তিৰ ওপৰত দখলী স্বত্ব পাইছিল। পাঞ্জাৱৰপৰা পোৱা সাক্ষ্য-প্ৰমাণৰ পৰা জনা যায় যে মহিলাই, বিধৱাকে ধৰি, বজাৰত তেওঁলোকে পোৱা ভূমিৰ বিক্ৰেতা হিচাপে প্ৰত্যক্ষভাৱে অংশ গ্ৰহণ কৰিছিল। হিন্দু আৰু মুছলমান মহিলাই উত্তৰাধিকাৰ সূত্ৰে জমিদাৰীও লাভ কৰিছিল, আৰু তেওঁলোকে তেনে জমিদাৰী বিক্ৰি বা বন্ধকত থবলৈ পাৰিছিল। অষ্টাদশ শতিকাত বংগদেশত মহিলা জমিদাৰ থকাৰ কথা পোৱা যায়। দৰাচলতে অষ্টাদশ শতিকাৰ বংগদেশৰ জমিদাৰীবোৰৰ ভিতৰত ৰাজছাহীৰ জমিদাৰ গৰাকী আছিল মহিলা।



*নক্সা ৮.৮ ক*
*ফাতেহপুৰ-চিক্ৰীৰ এটা নিৰ্মাণ কাৰ্যত মহিলা কৰ্মীসকলে শিল ভঙাৰ দৃশ্য।*



*নক্সা ৮.৮ খ*
*এদল তিৰোতাই বোজা কঢ়িয়াইছে। এনেধৰণৰ নিৰ্মাণস্থলীসমূহত চুবুৰীয়া গাঁৱৰ পৰা অহা মহিলা শ্ৰমিকে প্ৰায়ে কাম কৰা দেখা গৈছিল।*

**আলোচনা কৰা...**

তুমি বাস কৰা ৰাজ্যখনত খেতিপথাৰত কাম কৰাৰ ক্ষেত্ৰত পুৰুষ আৰু তিৰোতাৰ মাজত কিবা তাৰতম্য আছেনে?

DailyAssam.Com

## ৪. অৰণ্য আৰু জনজাতি

### ৪.১ বসতিপূৰ্ণ গাঁৱৰ বৰ্হিভাগ

স্থায়ী কৃষি কাৰ্যতকৈও সেই সময়ত গ্ৰাম্য ভাৰতত ভূমিৰ প্ৰাচুৰ্যতা আছিল যথেষ্ট। বাহুল্য পৰিমাণে কৃষি কাৰ্য কৰা উত্তৰ আৰু উত্তৰ-পশ্চিম ভাৰতবৰ্ষৰ প্ৰদেশসমূহৰ উপৰিও সেই সময়ত সমগ্ৰ পূৰ্বভাৰত, মধ্যভাৰত আৰু উত্তৰ ভাৰত (নেপাল তৰাইসহ), ঝাৰখণ্ড, পশ্চিমঘাট পৰ্বতমালা আৰু দাক্ষিণাত্যৰ মালভূমিৰপৰা ভাৰতীয় উপদ্বীপলৈ পৰিব্যাপ্ত অঞ্চল বিশাল জংগল ভূমি, গভীৰ অৰণ্যাণী আৰু খাৰবান্দী আদিৰে পৰিপূৰ্ণ আছিল। সমগ্ৰ ভাৰতবৰ্ষতে পৰিব্যাপ্ত সেই সময়ৰ জংগলভূমিৰ সঠিক সম্ভেদ পোৱাটো কঠিন যদিও অনুমান কৰা সকলৰ মতে তাৰ পৰিমাণ আছিল গড়ে ৪০ শতাংশ।

নক্সা ৮.৯
*সম্ৰাট ছাহজাহানে নীলগাই চিকাৰ কৰা দৃশ্য (বাদশ্বাহনামাৰ পৰা সংগৃহীত চিত্ৰ)*

> ➲ অঙ্কিত ৰঙীন চিত্ৰখনত কি দেখিছা? চিকাৰ আৰু আদৰ্শনীয় ন্যায়ৰ মাজত সম্বন্ধ স্থাপনত সহায় কৰা প্ৰতীকধৰ্মী মৌলটো কি?

অৰণ্য অঞ্চলত বসবাস কৰা লোকসকলক সমসাময়িক সাহিত্যত তেতিয়া **জংগলী** বোলা হৈছিল। জংগলী বুলিলেও আজি সেই শব্দই সাধাৰণতে বুজোৱাৰ দৰে তেতিয়া সভ্যতাৰ অনুপস্থিতি বুজোৱা নাছিল। বৰং সেই শব্দটোৱে তেতিয়া সেই লোকসকলকহে বুজাইছিল যিসকলে জীৱিকা নিৰ্বাহৰ বাবে অৰণ্যত উৎপন্ন হোৱা সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰিছিল — যেনে, চিকাৰ আৰু জুম খেতি। এই কাৰ্যবিলাক আছিল ঋতু নিৰ্ভৰ। উদাহৰণ হিচাপে, ভীল সকলৰ কথাকেই ধৰিব পাৰি — তেওঁলোকে গোটেই বছৰটো কেবাটাও ভাগত ভাগ কৰি সেইমতে কাম কৰিছিল— বসন্ত কালত অৰণ্যত উৎপন্ন হোৱা সামগ্ৰী গোটোৱা, গ্ৰীষ্ম কালত মাছ মৰা আৰু মৌচুমী বতৰত খেতি-বাতি কৰা আৰু শৰৎ আৰু শীত কালত চিকাৰ কৰা। কামৰ এই ধৰণৰ প্ৰক্ৰিয়াই অৰণ্যত বাস কৰা জনজাতিসকলক ইখন ঠাইৰপৰা আনখন ঠাইলৈ পৰিভ্ৰমণ কৰি ফুৰাটো প্ৰায় এক নিয়মত পৰিণত কৰি তুলিছিল আৰু সেইটো তেওঁলোকৰ বাবে এক চকুত লগা বৈশিষ্ট্য হৈ পৰিছিল। ৰাষ্ট্ৰৰ বাবে আনহাতে অৰণ্য আছিল কূটঘাতমূলক কাৰ্যৰ স্থান— ই আছিল ৰাষ্ট্ৰৰ বাবে অনিষ্টকাৰীসকলৰ এক আশ্ৰয়স্থল। আমি পুনৰ বাবৰৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ— তেওঁ এবাৰ কৈছিল যে অৰণ্য প্ৰতিৰক্ষাৰ এক উৎকৃষ্ট স্থান আছিল, "তাত আশ্ৰয় লৈয়েই পৰগণাৰ বাসিন্দাসকল তীব্ৰভাৱে বিদ্ৰোহী হৈ পৰিছিল আৰু খাজনা নিদিয়াকৈ থাকিছিল।"



### ৪.২ অৰণ্যৰ অভ্যন্তৰলৈ সামৰিক অভিযান

অৰণ্যৰ বাহিৰৰ শক্তিয়ে বিভিন্ন প্ৰকাৰে তাত প্ৰবেশ কৰিছিল। ৰাষ্ট্ৰক সাধাৰণতে সামৰিক বাহিনীৰ বাবে হাতীৰ প্ৰয়োজন হৈছিল। সেয়ে অৰণ্য বাসীসকলৰ পৰা ৰাষ্ট্ৰৰ বাবে পেচকছ দাবী কৰাৰ সময়ত তেওঁলোকক হাতীৰ

DailyAssam.Com



যোগান ধৰিবলৈও চৰ্ত আৰোপ কৰা হৈছিল।

মোগলসকলৰ ৰাজনৈতিকদৰ্শন মতে চিকাৰ আছিল ধনী-দুখীয়া নিৰ্বিশেষে গৰিষ্ঠ সংখ্যক প্ৰজা সাধাৰণৰ প্ৰতি যাতে ন্যায় প্ৰদান কৰা হয় সেইটো সুনিশ্চিত কৰাটো। মোগল আমোলৰ চৰকাৰী বুৰঞ্জীকাৰসকলৰ মতে, নিয়মিত চিকাৰ অভিযান বিলাকে সম্ৰাটক বিশাল সাম্ৰাজ্যখনৰ বিস্তৃত অঞ্চলসমূহ নিজা ববীয়াকৈ ভ্ৰমণ কৰা এক সুযোগ আনি দিয়াৰ লগতে প্ৰজা সাধাৰণৰ অভিযোগ বিলাক শুনাৰ সুবিধা কৰি দিছিল। ৰাজসভাৰ চিত্ৰাংকনকাৰীসকলৰ বাবে চিকাৰৰ চিত্ৰ অংকন কৰাটো এক নিয়মিত বিষয়ত পৰিণত হৈছিল। চিত্ৰশিল্পীজনে চিত্ৰখনৰ কোনো এটা অংশত ক্ষুদ্ৰাকৃতিৰ ছবি অঁকাটো এক কৌশলত পৰিণত হৈছিল যাৰ মাধ্যমত সম্ৰাটৰ ৰাজত্ব কাল শান্তিপূৰ্ণভাৱে চলিছিল বুলি প্ৰতীকি ভাষাত প্ৰকাশ পাইছিল।

মোগলৰ শাসন ব্যৱস্থাত প্ৰদেশৰ এটা সদৰক পৰগণা বোলা হয়।

পেচকছ হ'ল মোগল সাম্ৰাজ্যত মাননি হিচাপে সংগ্ৰহ কৰা কৰ।

উৎস ৩

## কৃষি কাৰ্যৰ বাবে জংগল মুকলি

তলৰ উদ্ধৃতিটো ষোড়শ শতিকাৰ **চণ্ডীমংগলা** নামে এটি বাংলা কবিতাৰপৰা লোৱা। কবিতাটো মুকুন্দৰাম চক্ৰবৰ্তীয়ে ৰচনা কৰা। কবিতাটোৰ নায়ক কালকেতুয়ে জংগল মুকলি কৰি এখন ৰাজ্য স্থাপন কৰিছিল ঃ

খবৰটো শুনিয়েই বহু দেশৰপৰা বহু মানুহ আহিছিল।
তেনেতে কালকেতুয়ে ডাঙৰ কটাৰী, কুঠাৰ, যুদ্ধত ব্যৱহাৰ কৰা কুঠাৰ আৰু শেল কিনিছিল
আৰু সেইবিলাক সিহঁতৰ মাজত ভগাই দিছিল।
উত্তৰপৰা মানুহবিলাক আহিছিল
তেওঁলোকৰ এশ জন আগবাঢ়িছিল।
কালকেতুক দেখি সিহঁত আচৰিত হৈছিল
যিয়ে সিহঁতৰ প্ৰত্যেককে তামোল-পান দিছিল।
দক্ষিণৰপৰা খেতি চপোৱা সকল আহিছিল
এজন সংগঠকৰ নেতৃত্বত আহিছিল পাঁচ শ জন
পশ্চিমৰপৰা আহিছিল জাফৰ মিয়া,
লগত বাইশ হাজাৰ লোক লৈ
সিহঁতৰ হাতত আছিল চুলেমানী মণি
সিহঁতে তেওঁলোকৰ পীৰ আৰু পয়গম্বৰৰ নাম-গুণ গাই আহিছিল
জংগল মুকলি কৰাৰ অন্তত
সিহঁতে তাত হাট পাতিছিল।
শ শ বিদেশীয়ে আহাৰৰ পিছত জংগলত প্ৰৱেশ কৰিছিল।
কুঠাৰৰ শব্দ শুনি বাঘে ভয় পাই গোঁজৰণি মাৰি দৌৰিছিল।

➲ পাঠ্যপুথিখনে অৰণ্য অঞ্চলত কি ধৰণৰ অনাধিকাৰ প্ৰৱেশৰ কথা ব্যক্ত কৰিছে? নক্সা ৮.৯ত প্ৰদৰ্শিত ক্ষুদ্ৰ অঙ্কিত চিত্ৰখনৰ সৈতে পুথিখনৰ বাৰ্তাটো তুলনা কৰা। অৰণ্যবাসীসকলৰ দৃষ্টিকোণৰ পৰিপ্ৰেক্ষিতত কোনচাম লোকক 'বিদেশী' বুলি চিনাক্ত কৰা হৈছে?

DailyAssam.Com



উৎস ৪

**পাহাৰীয়া জনজাতি আৰু ভৈয়ামৰ লোকৰ মাজত বাণিজ্যিক আদান-প্ৰদান : ১৫৯৫**


তলত দিয়া ধৰণে আবুল ফজলে পাহাৰীয়া জনজাতি আৰু ভৈয়ামৰ (অবধ প্ৰদেশৰ, বৰ্তমান উত্তৰ প্ৰদেশৰ অংশ বিশেষ) লোকৰ মাজত বাণিজ্যিক আদান-প্ৰদান সম্পৰ্কে বৰ্ণনা কৰিছিল :

উত্তৰৰ পাহাৰপৰা বহু পৰিমাণৰ বস্তু-বাহানি মানুহে আৰু লগতে শক্তিশালী গাধই আৰু পঠা ছাগলীয়ে পিঠিত তুলি কঢ়িয়াই আনিছিল। সেইবিলাকৰ ভিতৰত আছিল সোণ, তাম, সীহ, কস্তুৰী,য়াকৰ নেজ, মৌ, চুক (নেমু টেঙা আৰু সুমথিৰা টেঙাৰ ৰস উতলাই কৰা এবিধ ৰস) ডালিম, আদা, পিপলি, মঞ্জিঠা (ৰঙা ৰং তৈয়াৰ কৰিব পৰা এবিধ লতা গছ), মূল বা শিপা, খনিজ লোণ, হালধিৰ দৰে এবিধ মূল, মম বা মৌ সিটা, কঁপাহী সামগ্ৰী, কাঠৰ বিভিন্ন বস্তু, চিলা বা বাজ চৰাই, শেন চৰাই, ক'লা শেন চৰাই, এবিধ সৰু চৰাই, আৰু অন্যান্য বস্তু-বাহানি।

➲ এই পৃষ্ঠাৰ বৰ্ণনাত বয়বস্তু কঢ়িয়াবলৈ কেনেধৰণৰ যান-বাহন ব্যৱস্থাৰ বিষয়ে উল্লেখিত হৈছে? কি কাৰণবশতঃ এনেবোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল বুলি তুমি ভাবা? ভৈয়ামৰ পৰা পাহাৰলৈ কঢ়িয়াই নিয়া প্ৰতিটো বস্তু কিদৰে ব্যৱহৃত হৈছিল যেন লাগে, ব্যাখ্যা কৰা।

বাণিজ্যিক পণ্যৰ কৃষি সম্প্ৰসাৰণ কাৰ্য অৰণ্য বাসীসকলৰ জীৱনত প্ৰভাৱ পেলোৱা এক বৃহৎ আৰু গুৰুত্বপূৰ্ণ বহিৰাগত উপাদান আছিল। অৰণ্যত উৎপন্ন হোৱা বস্তু-বাহানি— যেনে, মৌ, মম বা মৌ সিটা আৰু আঠা বা লাৰ প্ৰভূত চাহিদা আছিল। কোনো কোনো বস্তু— যেনে, লা সপ্তদশ শতিকাৰ ভাৰতবৰ্ষৰ ৰপ্তানি বাণিজ্যৰ এক গুৰুত্বপূৰ্ণ পণ্য আছিল। হাতী ধৰি আনি তাকো বিক্ৰি কৰা হৈছিল। বস্তু-বাহানিৰ সাল-সলনিৰ মাধ্যমত বিনিময় প্ৰথাৰে বাণিজ্যিক আদান-প্ৰদান চলিছিল। কিছুমান জনজাতিয়ে — যেনে পাঞ্জাৱৰ লোহানীসকলে, ভাৰতবৰ্ষ আৰু আফগানিস্থানৰ মাজত স্থলপথেৰে কৰা বাণিজ্যত অংশ গ্ৰহণ কৰিছিল, আৰু আনকি পাঞ্জাৱৰ ভিতৰতে এফালে গ্ৰাম্যাঞ্চল আৰু আনফালে নগৰ-চহৰৰ মাজত বাণিজ্যিক আদান-প্ৰদানত জড়িত আছিল। কিছুমান সামাজিক উপাদানেও অৰণ্যবাসীসকলৰ জীৱনলৈ পৰিবৰ্তনৰ বতাহ আনিছিল। গাঁৱৰ "মুখ্য ব্যক্তিজন"ৰ দৰে অৰণ্যত বাস কৰা জনজাতিসকলৰো গোষ্ঠী প্ৰধান আছিল। বহুতো জনজাতীয় প্ৰধান জমিদাৰত পৰিণত হৈছিল, আনকি কিছুমান ৰজাও হৈছিল। তাৰ বাবে তেওঁলোকে সামৰিক বাহিনীও গঠন কৰিব লগা হৈছিল। তেওঁলোকে নিজৰ নিকট সম্পৰ্কীয়সকলৰ মাজৰপৰা মানুহ গোটাই সেনা বাহিনী তৈয়াৰ কৰিছিল আৰু নতুবা গোষ্ঠীৰ লোকসকলক সামৰিক সেৱাৰ যোগান ধৰিবলৈ দাবী কৰিছিল। সিন্ধু অঞ্চলৰ জনজাতিসকলৰ সামৰিক বাহিনী আছিল, আৰু সেই সেনা বাহিনীত ৬,০০০ অশ্বাৰোহী আৰু ৭,০০০ পদাতিক আছিল। অসমত আহোমসকলৰ আমোলত তাৰ প্ৰজা সাধাৰণক (পাইকক) ভূমি ভোগ-দখল কৰিবলৈ দিয়াৰ বিনিময়ত ৰাষ্ট্ৰৰ প্ৰতি সামৰিক সেৱা আগবঢ়াবলৈ বাধ্য কৰোৱা হৈছিল। বনৰীয়া হাতী ধৰাটো আহোম ৰজাসকলে ৰাজকীয় অধিকাৰৰূপে ঘোষণা কৰিছিল।

*নক্সা ৮.১০*
*খেতিয়ক আৰু চিকাৰীয়ে ছুফী সঙ্গীত শ্ৰৱণ কৰা দেখা গৈছে।*



DailyAssam.Com



জনজাতীয় সমাজৰপৰা ৰাজতন্ত্ৰলৈ উত্তৰণৰ প্ৰক্ৰিয়াটো যদিও বহু বছৰৰ পূৰ্বৰেপৰাই ঘটি আহিছিল, তথাপিও প্ৰক্ৰিয়াটো ষোড়শ শতিকামানৰ পৰাহে পূৰ্ণ বিকশিত হৈ পৰিছিল। উত্তৰ-পূৰ্বাঞ্চলত জনজাতীয় ৰাজ্য থকা সম্পৰ্কে আইন-ই আকবৰীত কৰা এটি মন্তব্যৰপৰা এই কথাৰ সম্ভেদ পাব পাৰি। যুদ্ধ আছিল তেতিয়া সততে ঘটি থকা ঘটনা। উদাহৰণ হিচাপে কোঁচ ৰজাসকলে ষোড়শ আৰু সপ্তদশ শতিকাত ভালেমান চুবুৰীয়া জনজাতীয় ৰাজ্যৰ বিৰুদ্ধে যুদ্ধ কৰি তেনে বহু ৰাজ্য পদানত কৰিছিল।

তাৰ পৰৱৰ্তী স্তৰত সাংস্কৃতিক কাম-কাজৰ প্ৰভাৱো অৰণ্য অঞ্চলত প্ৰৱেশ কৰিছিল। বাস্তৱিকতে কিছুমান ঐতিহাসিকে ক'ব খোজে যে নতুনকৈ বসতি স্থাপন কৰা অঞ্চলসমূহৰ কৃষিজীৱী সমাজত ছুফী সাধু-সন্তসকলে মানুহক ইছলাম ধৰ্ম গ্ৰহণ কৰিবলৈ উৎসাহিত কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছিল (ষষ্ঠ অধ্যায় দ্ৰষ্টব্য)।

> **আলোচনা কৰা...**
>
> বৰ্তমান কালত তোমাৰ ৰাজ্যখনত অৰণ্য বুলি চিনাক্ত হোৱা অঞ্চলসমূহ বিচাৰি উলিওৱা। আজিৰ দিনত এই স্থানসমূহৰ জীৱনধাৰাৰ সলনি ঘটিছেনে? পাঠ্যপুথিখনৰ এই অনুচ্ছেদটোত এনে পৰিৱৰ্তনৰ বাবে দায়ী যিবোৰ কাৰণ সন্নিবিষ্ট কৰা হৈছে, তাৰ সৈতে তোমাৰ ৰাজ্যৰ কিবা সাদৃশ্য নাইবা বৈসাদৃশ্য দেখা যায়নে?

## ৫. জমিদাৰ

মোগল আমোলৰ ভাৰতবৰ্ষৰ কৃষিজীৱী সমাজৰ আভ্যন্তৰীণ সম্পৰ্কৰ ইতিহাস সম্পূৰ্ণ নহ'ব যদিহে আমি গ্ৰাম্যাঞ্চলত বসবাস কৰা অথচ কৃষি কাৰ্যত প্ৰত্যক্ষভাৱে অংশ গ্ৰহণ নকৰাকৈ থকা এক শ্ৰেণী লোকৰ বিষয়ে উল্লেখ নকৰোঁ। সেই সকলেই আছিল জমিদাৰ, যিসকল আছিল ভূস্বামী আৰু গ্ৰাম্য সমাজত উৎকৃষ্ট আসনৰ অধিকাৰী আৰু সেই সুবাদতেই তেওঁলোকে গ্ৰাম্য সমাজত বিশেষ কিছুমান সামাজিক আৰু অৰ্থনৈতিক সা-সুবিধা উপভোগ কৰিছিল। তেওংলোকৰ বাবে সেইটো সম্ভৱ হৈছিল তেওঁলোকে জন্ম লাভ কৰা জাতি বা বৰ্ণৰ বাবে। অন্য এটা কাৰক আছিল তেওঁলোকে ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা সেৱা (খিদমত)। জমিদাৰসকলৰ বিস্তৃত পৰিমাণৰ ব্যক্তিগত ভূ-সম্পত্তি আছিল, তাকে **মিলকিয়াত** বোলা হৈছিল। মিলকিয়াত ভূমিত বহু সময়তে ভাড়াতীয়া শ্ৰমিকৰ সহযোগত নতুবা গোলামৰ জৰিয়তে জমিদাৰৰ ব্যক্তিগত ভৰণ-পোষণৰ বাবে কৃষি কাৰ্য কৰা হৈছিল। জমিদাৰে নিজৰ ইচ্ছামতে সেই ভূমি সম্পত্তি বিক্ৰি কৰিব, দান দিব আৰু নতুবা বন্ধকত থব পাৰিছিল।

জমিদাৰসকলে ৰাষ্ট্ৰৰ হৈ প্ৰজা সাধাৰণৰ পৰা খাজনা সংগ্ৰহ কৰাৰ মাধ্যমতো ক্ষমতাৰ অধিকাৰী হৈছিল, খাজনা সংগ্ৰহ কৰাৰ বাবে তেওঁলোকক আৰ্থিকভাৱে পাৰিতোষিক দিয়া হৈছিল। তেওঁলোকৰ ক্ষমতাৰ অন্য এটি উৎস আছিল সামৰিক বাহিনীৰ প্ৰয়োজনীয় সম্পদৰ ওপৰত থকা নিয়ন্ত্ৰণ। বহু বিলাক জমিদাৰৰে কোঠৰ (কিলাচাচ) লগতে সামৰিক বাহিনীৰ একোটি গোট আছিল আৰু সেই গোটবিলাক গঠিত হৈছিল অশ্বাৰোহী, গোলাগুজ আৰু পদাতিক বাহিনীক লৈ।

এইদৰে আমি যদি মোগল আমোলৰ গ্ৰাম্য সমাজখনৰ আভ্যন্তৰীণ সম্পৰ্কৰ বিষয়ে পিৰামিডৰ আৰ্হিত কল্পনা কৰোঁ তেনেহলে জমিদাৰসকলে নিশ্চিতভাৱেই সেই পিৰামিডৰ একেবাৰে ওপৰত অৱস্থান কৰিছিল। আবুল ফজলৰ টোকাত উল্লেখ আছে যে এটি উচ্চ বৰ্ণৰ, ব্ৰাহ্মণ-ৰাজপুত বংশৰ, গোটে ইতিমধ্যে গ্ৰাম্য সমাজত কঠোৰ নিয়ন্ত্ৰণ স্থাপন কৰিছিল। উক্ত টোকাই অৱশ্যে, আমি পূৰ্বে প্ৰত্যক্ষ কৰি অহা দৰে, মধ্যৱৰ্তী বৰ্ণৰ লোকে দাখিল কৰা বহু পৰিমাণৰ আবেদনৰ

DailyAssam.Com



ওপৰত আলোকপাত কৰাৰ লগতে মুছলমান জমিদাৰীৰ উদাৰতাৰ কথাও সদৰি কৰিছে।

সমসাময়িক নথি-পত্ৰসমূহে এই ধৰণৰ এটি আভাস দিছে যে সামৰিক অভিযান কিছুমান জমিদাৰীৰ উৎপত্তিৰ কাৰক আছিল। আনহাতে শক্তিশালী সামৰিক নেতাই নিশকতীয়া শ্ৰেণীৰ লোকক তেওঁলোকৰ দখলত থকা ভূমিৰপৰা উচ্ছেদ কৰি জমিদাৰীৰ সম্প্ৰসাৰণ ঘটোৱাৰ অন্যতম উপায় আছিল। অৱশ্যে ৰাষ্ট্ৰই যে তেনে জমিদাৰৰ আগ্ৰাসী ভূমিকাৰ প্ৰতি সমৰ্থন দিয়াতো সম্ভৱ নাছিল যদিহে তেনে কাৰ্যৰ প্ৰতি জমিদাৰজনে আগতীয়াকৈ ৰাজকীয় অনুমোদন বা আদেশ (ছনদ) লাভ কৰা নাছিল।

তাতোকৈ গুৰুত্বপূৰ্ণ কথা আছিল ধীৰ প্ৰক্ৰিয়াৰে হোৱা জমিদাৰীৰ সুদৃঢ়কৰণ, সেইবিলাকো চৰকাৰী নথি-পত্ৰত নথিভুক্ত কৰা হৈছিল। সেই প্ৰক্ৰিয়াবিলাক আছিল— নতুন ভূমিত পাম পাতি বসতি স্থাপন কৰা, ভূমিৰ স্বত্বাধিকাৰ হস্তান্তৰ কৰা, ৰাষ্ট্ৰৰ আদেশৰ দ্বাৰা হস্তান্তৰিত কৰা নতুবা ক্ৰয় কৰাৰ জৰিয়তে সংঘটিত হোৱা হস্তান্তৰ কাৰ্য। এই প্ৰক্ৰিয়াবিলাকৰ জৰিয়তেই নিম্ন বৰ্ণ বা জাতিৰ অন্তৰ্ভুক্ত লোকক জমিদাৰ শ্ৰেণীলৈ উন্নীত হোৱাত অনুমতি প্ৰদান কৰিছিল। সেই সময়ত ঘাইকৈ জমিদাৰীৰ ব্যাপক ক্ৰয়-বিক্ৰয় সংঘটিত হৈছিল।

**সমান্তৰাল সামৰিক বাহিনী**

**আইন-ই আকবৰীৰ মতে মোগল সাম্ৰাজ্যৰ জমিদাৰসকলৰ সন্মিলিত সামৰিক বাহিনীৰ শক্তি আছিল ৩,৮৪,৫৫৮ অশ্বাৰোহী, ৪২,৭৭,০৫৭ পদাতিক, ১,৮৬৩ হস্তী, ৪,২৬০ কামান, ৪,৫০০ নাও।**

আকৌ আন ভালেমান কাৰকৰ সংমিশ্ৰণেও গোষ্ঠী বা কুটুম্বিতা কেন্দ্ৰিক তথা বংশানুক্ৰমিক জমিদাৰীৰ গঠন প্ৰক্ৰিয়াত ইন্ধন যোগাইছিল। উদাহৰণ হিচাপে ৰাজপুত আৰু জাতসকলে উত্তৰ ভাৰতত এই ধৰণৰ পদ্ধতি প্ৰয়োগ কৰিয়েই ব্যাপক ভূখণ্ডৰ ওপৰত নিজৰ অধিকাৰ সাব্যস্ত কৰিছিল। ঠিক তেনেদৰে একে সময়তে কৃষি কাৰ্য আৰু পশুপালন বৃত্তি অনুসৰণ কৰা চাদগোপসকলে বংগদেশৰ মধ্য আৰু দক্ষিণ-পশ্চিমাঞ্চলত নিজা ববীয়াকৈ শক্তিশালী জমিদাৰী গঢ়ি তুলিছিল।

জমিদাৰসকলে কৃষি ভূমিত পাম পাতি বাস কৰিবলৈ, প্ৰয়োজন সাপেক্ষে কৃষিৰ সা-সঁজুলিৰ লগতে নগদ টকাৰ ঋণ দি হলেও কৃষকৰ বসতি বিস্তাৰ কৰাত সহায় কৰিছিল। আনহাতে জমিদাৰীৰ ক্ৰয়-বিক্ৰয় প্ৰক্ৰিয়াই গ্ৰাম্য অঞ্চলত মুদ্ৰা অৰ্থনীতিৰ সম্প্ৰসাৰণ দ্ৰুত কৰি তুলিছিল। তদুপৰি জমিদাৰসকলে তেওঁলোকৰ মিকলিয়াতত উৎপাদিত শস্য বিক্ৰি কৰিছিল। প্ৰমাণ পোৱা গৈছে যে সেই সময়ত জমিদাৰসকলে হাট পাতি উৎপাদিত শস্যৰ ক্ৰয়-বিক্ৰয়ত সহায় কৰিছিল আৰু সেই হাটলৈ কৃষকসকলে তেওঁলোকৰ শস্য পথাৰত উৎপাদিত সামগ্ৰী বিক্ৰি কৰিবলৈ নিছিল। জমিদাৰসকল যে এটি শোষক শ্ৰেণীৰ অন্তৰ্ভুক্ত লোক আছিল সেই বিষয়ে কোনো সন্দেহ নাই যদিও এইটোও সঁচা যে কৃষকৰ সৈতে সংঘটিত তেওঁলোকৰ সম্পৰ্কৰ ক্ষেত্ৰত কিছুপৰিমাণে পাৰস্পৰিক সহযোগিতাৰ লগতে অভিভাৱকত্ব আৰু পৃষ্ঠপোষকতাৰ মনোভাৱো বিৰাজ কৰিছিল। প্ৰধানতঃ দুটা দিশৰপৰা এই ধৰণৰ মতামতক সাৰ-পানী দিছে। প্ৰথমতে, ভক্তি আন্দোলনৰ সৈতে জড়িত সাধু-সন্তসকলে, যিসকলে বৰ্ণ ভিত্তিক আৰু অন্যান্য ধৰণে সংঘটিত অত্যাচাৰ-নিৰ্যাতনৰ মুকলি প্ৰতিবাদ কৰিছিল (ষষ্ঠ অধ্যায় দ্ৰষ্টব্য), , জমিদাৰসকলক (আৰু লগতে ঋণদাতা মহাজনসকলক) কৃষকৰ শোষণকাৰী আৰু নিৰ্যাতনকাৰী হিচাপে তেওঁলোকৰ ৰচনা ৰাজিত দাঙি ধৰা

DailyAssam.Com



নাই। সাধাৰণতে ৰাষ্ট্ৰৰ ৰাজহ বিষয়াসকলহে তেওঁলোকৰ খণ্ডৰ উৎস আছিল। দ্বিতীয়তে, সপ্তদশ শতিকাত উত্তৰ ভাৰতত সংঘটিত বহুবিলাক কৃষক বিদ্ৰোহত জমিদাৰসকলে ৰাষ্ট্ৰৰ বিৰুদ্ধে সততে কৃষকসকলৰপৰা সমৰ্থন লাভ কৰিছিল।

## ৬. ভূমি ৰাজস্ব ব্যৱস্থা

মাটিৰ খাজনাই আছিল মোগল সাম্ৰাজ্যৰ আয়ৰ প্ৰধান উৎস। ৰাষ্ট্ৰৰ বাবে সেয়ে কৃষি উৎপাদনৰ ওপৰত নিয়ন্ত্ৰণ সুনিশ্চিত কৰিবলৈ আৰু দীঘে-পথালিয়ে দ্ৰুতভাৱে সম্প্ৰসাৰণ হৈ থকা গোটেই সাম্ৰাজ্যখনৰ ভূমিৰ খাজনা নিৰ্ধাৰণ আৰু সংগ্ৰহৰ বাবে এটি প্ৰশাসনিক যন্ত্ৰ তৈয়াৰ কৰাতো গুৰুত্বপূৰ্ণ কামত পৰিণত হৈ পৰিছিল। এই যন্ত্ৰটোৱে আছিল দেৱানৰ কাৰ্যালয় (দপ্তৰ) আৰু এই দেৱানজনেই সাম্ৰাজ্যৰ ৰাজস্ব বিভাগটো চোৱা-চিতা কৰাৰ বাবে দায়ী আছিল। এইদৰে ৰাজহ বিষয়া আৰু মহাপেচেই (নথি-পত্ৰ ৰখা চৰকাৰী বিষয়া) সাম্ৰাজ্যৰ কৃষি ক্ষেত্ৰত জড়িত হৈ পৰাৰ লগতে তেওঁলোকেই কৃষি নীতিৰ গঢ় দিওতা আছিল।

মোগল চৰকাৰে কৃষি ভূমিৰ ওপৰত খাজনা বহুৱাই মানুহৰ ওপৰত আৰ্থিক বোজা জাপি দিয়াৰ আগতে সাম্ৰাজ্যখনত কিমান কৃষি উপযোগী ভূমি আছিল আৰু সেই ভূমিৰ পৰা কি কি শস্য উৎপন্ন হৈছিল সেইবিলাকৰ সঠিক হিচাপ লবলৈ চেষ্টা কৰিছিল। ভূমি ৰাজহৰ প্ৰধানতঃ দুটা স্তৰ আছিল— প্ৰথমটো স্তৰত খাজনা নিৰ্ধাৰণ আৰু দ্বিতীয়টো স্তৰত খাজনা সংগ্ৰহ। **জমা** আছিল নিৰ্ধাৰিত খাজনাৰ পৰিমাণ আৰু সংগৃহীত খাজনাক কোৱা হৈছিল **হাছিল**। আমিল-গুজৰ অৰ্থাৎ খাজনা সংগ্ৰহকাৰীয়ে পালন কৰিবলগীয়া কৰ্তব্যৰ ভিতৰত আকবৰে হুকুম দিছিল যে তেওঁ কৃষকসকলৰপৰা পাৰিলে টকাৰ মাধ্যমত খাজনা সংগ্ৰহ কৰিব, কিন্তু লগতে শস্যৰ মাধ্যমত খাজনা সংগ্ৰহৰ পন্থাও মুকলি কৰি ৰাখিব লাগিব। খাজনা নিৰ্ধাৰণৰ সময়ত চৰকাৰে যিমান পাৰে সিমান পৰিমাণে খাজনা নিৰ্ধাৰণ কৰিবলৈ বিচাৰিছিল। অৱশ্যে প্ৰকৃতাৰ্থত চৰকাৰে নিৰ্ধাৰণ কৰা মতে খাজনা সংগ্ৰহ কৰাটো কোনো কোনো সময়ত স্থানীয় পৰিবেশ-পৰিস্থিতিৰ বাবে ব্যৰ্থ হৈ পৰিছিল।

প্ৰতিখন প্ৰদেশৰে কৃষি ভূমি আৰু কৃষি উপযোগী ভূমিৰ জৰীপ কৰা হৈছিল। আকবৰৰ শাসন কালত তেনে ভূমিৰ মুঠ পৰিমাণ আইন-ই আকবৰীয়ে সংগ্ৰহ কৰিছিল। আকবৰৰ পৰবৰ্তী কালৰ সম্ৰাটসকলৰ আমোলতো ভূমিৰ জৰীপৰ কাম নিৰৱচ্ছিন্নভাৱে চলাই যোৱা হৈছিল। উদাহৰণ হিচাপে, ১৬৬৫ চনত ঔৰাংগজেৱে মুকলিভাৱে তেওঁৰ ৰাজহ বিষয়াসকলক প্ৰতিখন গাঁৱৰে খেতিয়কৰ সংখ্যাৰ তালিকা প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিছিল। তথাপিও কিন্তু সকলো ভূমিৰেই জৰীপ কাৰ্য কৃতকাৰ্যতাৰে সম্পূৰ্ণ হোৱা নাছিল। আমি ইতিপূৰ্বে পাই আহিছোঁ যে উপমহাদেশখনৰ বিশাল পৰিমাণৰ ভূমি হাবি-জংগলেৰে ঢাক খাই আছিল আৰু ফলশ্ৰুতিত সেইবোৰ ভূমি জৰীপ নোহোৱাকৈ আছিল।

**আলোচনা কৰা...**

স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষৰ পৰা জমিদাৰী প্ৰথা উচ্ছেদ হয়। পাঠ্যপুথিৰ এই খণ্ডটো ভালদৰে অধ্যয়ন কৰি কি কাৰণে এই উচ্ছেদ হৈছিল, কাৰণসমূহ নিৰ্ণয় কৰা।

DailyAssam.Com



প্ৰদেশসমূহত সম্ৰাটৰ ৰাজকীয় বিধি-ব্যৱস্থাসমূহৰ যথাযোগ্য প্ৰয়োগৰ তদাৰকী বিষয়াজনক আমিন বোলা হৈছিল।


উৎস ৫

### আকবৰৰ আমোলত ভূমিৰ শ্ৰেণী বিভাজন

তলত উল্লেখ কৰা ভূমিৰ শ্ৰেণী বিভাজন আইন-ই আকবৰীৰপৰা লোৱা ঃ আকবৰে গভীৰ বুদ্ধিমত্তাৰে ভূমিৰ শ্ৰেণী বিভাজন কৰি প্ৰতিটো শ্ৰেণীৰ ওপৰত বিভিন্ন প্ৰকাৰৰ খাজনা নিৰ্ধাৰণ কৰি প্ৰতিটোকে সেই মতে আদায় দিবলৈ দিছিল। পোলাজ শ্ৰেণীৰ ভূমিত ক্ৰমাগতভাৱে এটাৰ পিছত এটাকৈ কেবাটাও শস্যৰ খেতি কৰা হৈছিল আৰু এই শ্ৰেণীৰ ভূমি ছন পৰি থাকিবলৈ দিয়া হোৱা নাছিল। পাৰাউতি শ্ৰেণীৰ ভূমিক এটা সময়ত খেতি নকৰি তাক অধিক সাৰুৱা হ'বলৈ এৰি দিয়া হৈছিল। চাচাৰ শ্ৰেণীৰ ভূমি তিনিৰপৰা চাৰি বছৰ পৰ্যন্ত ছন পৰি আছিল। বাঞ্জাৰ শ্ৰেণীৰ ভূমিত পাঁচ আৰু ততোধিক বছৰৰ বাবে খেতি কৰা হোৱা নাছিল। প্ৰথম দুই প্ৰকাৰৰ ভূমি আকৌ তিনিটা শ্ৰেণীত বিভক্ত আছিল— ভাল, মধ্যম আৰু নিকৃষ্ট। প্ৰতিটো শ্ৰেণীৰ ভূমিয়ে সাধ্যানুসাৰে শস্য উৎপাদন কৰিছিল আৰু মধ্যম শ্ৰেণীৰ ভূমিয়ে নিজৰ শ্ৰেণী অনুযায়ী শস্য উৎপাদন কৰিছিল, আৰু তাৰ এক-তৃতীয়াংশ ৰাজকীয় কৰ বা খাজনা হিচাপে আদায় কৰা হৈছিল।

➲ মোগল প্ৰশাসনত সাম্ৰাজ্যৰ অধীন ভূমিৰ শ্ৰেণীৰ বিভাজনৰ বাবে কি কি নীতি গ্ৰহণ কৰা হৈছিল? ৰাজহ নিৰ্ধাৰণৰ ব্যৱস্থা কেনেধৰণৰ আছিল?

মানচিত্ৰ ১
*মোগল সাম্ৰাজ্য বিস্তাৰ*




➲ সাম্ৰাজ্যৰ বিস্তাৰে ভূমি কৰ সংগ্ৰহত কেনেধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিছিল বুলি তুমি ভাবা?

### মনছবদাৰী ব্যৱস্থা

মোগলসকলৰ প্ৰশাসনিক ব্যৱস্থাটোৰ একেবাৰে উৰ্দ্ধত এটি সামৰিক-আমোলাতান্ত্ৰিক যন্ত্ৰ (মনছবদাৰী) আছিল আৰু এইটো ৰাষ্ট্ৰৰ অসামৰিক আৰু সামৰিক প্ৰশাসনৰ তদাৰক কৰিছিল। কিছুমান মনছবদাৰক টকাৰ (নাকড়ী) মাধ্যমত বেতন দিয়া হৈছিল, আনহাতে আন বহুবিলাকক সাম্ৰাজ্যৰ বিভিন্ন অঞ্চলত ৰাজস্ব (জাইগীৰ) আবণ্টন দিয়া হৈছিল। তেওঁলোকক সময়ে সময়ে বদলি কৰা হৈছিল (নৱম অধ্যায় দ্ৰষ্টব্য)।

DailyAssam.Com



উৎস ৬

**ভূমিৰ খাজনা ঃ টকা নে শস্যৰ মাধ্যমত?**

ভূমি ৰাজস্ব সংগ্ৰহৰ বিষয়ে আইন-ই আকবৰী ঃ

আমিল-গুজাৰীক অকল টকাৰ মাধ্যমতেই খাজনা সংগ্ৰহ নকৰি লগতে শস্যৰ মাধ্যমতো খাজনা সংগ্ৰহ কৰাৰ ব্যৱস্থাটো চালু ৰাখিবলৈ কোৱা হৈছে। পিছৰ বিধ খাজনা বিভিন্ন উপায়েৰে সংগ্ৰহ কৰা হৈছিল। প্ৰথমতে কানকুত, হিন্দীত কানৰ অৰ্থ হ'ল শস্য আৰু কুতৰ পৰিমাণ নিৰূপণ কৰণ...। এই ক্ষেত্ৰত কিবা সন্দেহৰ অৱকাশ থাকিলে শস্য চপাই তাক তিনিটা ভাগত ভাগ কৰা হয়— ভাল, মধ্যম আৰু নিকৃষ্ট। এই বিভাজনৰ দ্বাৰা সন্দেহ দূৰ কৰা হয়। মাজে সময়ে আকৌ ভূমিৰ বেছ বা মূল্য নিৰূপণ কৰিও সেইটো কৰা হয়, এই ব্যৱস্থাই অধিক সঠিক খাজনা পোৱাত সহায় কৰে। দ্বিতীয়টো হল বাতাই বা ভাওলী, শস্য চপোৱাৰ পিছত সেইবোৰ মজুত কৰি ৰাখি তাক চুক্তিমতে জড়িত অংশীদাৰৰ মাজত তেওঁলোকৰ উপস্থিতিতে ভাগ কৰা হয়। এই ক্ষেত্ৰত অৱশ্যে কেবাজনো চতুৰ পৰিদৰ্শকৰ প্ৰয়োজন হয়, অন্যথা অসৎ প্ৰবৃত্তিৰ আৰু ভুৱা লোকে প্ৰতৰণা কৰাৰ অৱকাশ থাকে। তৃতীয়তে, খেত- বাতাই, ইয়াত শস্যৰ বীজ সিঁচাৰ পিছত শস্য ক্ষেত্ৰ বিভজান কৰা হয়। চতুৰ্থতে, লাং- বাতাই, ইয়াত শস্য কটাৰ পিছত দম কৰি থয় আৰু পিছত তেওঁলোকৰ মাজত ভাগ কৰি লয়। তেনেদৰে ভাগ-বাঁটোৱাৰা কৰাৰ পিছত প্ৰতিজনে নিজৰ অংশটো লাভ ৰূপে ঘৰলৈ নিয়ে।

➲ ৰাজহ নিৰ্ধাৰণ আৰু সংগ্ৰহৰ প্ৰতিটো ব্যৱস্থাই কৃষকৰ মাজত কি কি মতানৈক্যৰ সৃষ্টি কৰিছিল?

উৎস ৭

**জমা**

তলৰ উদ্ধৃতিটো ঔৰাংগজেবে ১৬৬৫ চনত ৰাজহ বিষয়াসকললৈ দিয়া এটি আদেশৰ অংশবিশেষ ঃ

সম্ৰাটে পৰগণাৰ আমিনসকলক এই বুলি নিৰ্দেশ দিছে যে তেওঁলোকে গাঁৱৰ পিছত গাঁৱৰ আৰু কৃষক অনুযায়ী কৃষি কাৰ্যৰ প্ৰকৃত অৱস্থাটো অনুসন্ধান কৰিব লাগে, আৰু সুক্ষ্ম পৰীক্ষাৰ অন্তত চৰকাৰৰ বিত্তীয় প্ৰয়োজন আৰু কৃষকৰ কল্যাণৰ প্ৰতি লক্ষ্য ৰাখি খাজনাৰ পৰিমাণ (জমা) নিৰ্ধাৰণ কৰিব লাগে।


➲ কি কাৰণবশতঃ সম্ৰাটে তন্ন তন্নকৈ জৰীপ চলোৱাত গুৰুত্ব দিছিল?

➲ আলোচনা কৰা...

মোগলৰ ভূমি ৰাজহ ব্যৱস্থাটো নমনীয় তথা এৰা-ধৰা কৰিব পৰা বিধৰ আছিল বুলি তুমি বিবেচনা কৰানে?

## ৭. ভাৰতবৰ্ষলৈ ৰূপৰ সোঁত

আয়তনৰ ফালৰপৰা মোগল সাম্ৰাজ্য এছিয়াৰ সমসাময়িক সাম্ৰাজ্যবিলাকৰ ভিতৰতে বৃহৎ সাম্ৰাজ্য আছিল। এই সাম্ৰাজ্যই ষোড়শ আৰু সপ্তদশ শতিকাত নিজৰ শক্তি আৰু সম্পদ দুয়োটাকে সুদৃঢ় কৰি তুলিছিল। অন্যান্য সাম্ৰাজ্যবিলাকৰ ভিতৰত আছিল— মিং (চীন), চাফাৰিদ (ইৰাণ) আৰু অ'টোমেন (তুৰষ্ক) সাম্ৰাজ্য। সাম্ৰাজ্যবোৰত বিৰাজ কৰা ৰাজনৈতিক স্থিৰতাই চীনৰপৰা ভূমধ্য সাগৰলৈ বিস্তৃত সমগ্ৰ ভূখণ্ডৰ মাজত স্থলপথেৰে বাণিজ্যিক আদান-প্ৰদানৰ পৰিবেশ প্ৰশস্ত কৰি তুলিছিল। ভৌগোলিক আৱিষ্কাৰৰ বাবে পৰিচালিত সামুদ্ৰিক অভিযান আৰু তাৰেই ফলশ্ৰুতিত নতুন পৃথিৱী বা নতুন বিশ্বৰ সন্ধানে ইয়োৰূপৰ সৈতে এছিয়াৰ (প্ৰধানতঃ ভাৰতবৰ্ষৰ) বাণিজ্যৰ পৰিসৰ সম্প্ৰসাৰিত কৰি তুলিছিল। এই ঘটনাই এফালে ভাৰতবৰ্ষৰ সামুদ্ৰিক বাণিজ্যক যথেষ্ট বিভিন্নতা প্ৰদান কৰাৰ লগতে আনফালে সেই বাণিজ্যৰ সৈতে জড়িত পণ্যৰো ব্যাপক সম্প্ৰসাৰণ ঘটাইছিল। ক্ৰমাগতভাৱে সম্প্ৰসাৰিত হৈ থকা বাণিজ্যই এছিয়া মহাদেশলৈ



নক্সা ৮.১১
আকবৰে প্ৰচলন কৰা ৰৌপ্য মুদ্ৰাৰ চিত আৰু পট উভয়ৰে প্ৰতিচ্ছবি।

DailyAssam.Com





নক্সা ৮.১২
*ঔৰংজেবে প্ৰচলন কৰা ৰৌপ্য মুদ্ৰা*

প্ৰচুৰ পৰিমাণৰ ৰূপ অহাত সহায় কৰিছিল, ভাৰতবৰ্ষৰপৰা আহৰণ কৰা আৰু ভাৰতবৰ্ষতে উৎপাদিত পণ্যৰ মূল্য পৰিশোধ কৰাৰ বিনিময়ত। তাৰে বহু পৰিমাণৰ ৰূপ আকৌ ভাৰতবৰ্ষত সোমাই পৰিছিল। এইটো ভাৰতবৰ্ষৰ বাবে বেছ উপকাৰী আছিল এই কাৰণেই যে তেতিয়ালৈ ভাৰতবৰ্ষত ৰূপ আহৰণৰ বাবে স্বাভাৱিক উৎস নাছিল। তাৰে ফল স্বৰূপে ষোড়শ শতিকাৰপৰা অষ্টাদশ শতিকালৈকে ধাতু মুদ্ৰাৰ প্ৰচলনৰ ক্ষেত্ৰত উল্লেখনীয় স্থিৰতা আহিছিল, বিশেষকৈ সেই সময়ত ভাৰতবৰ্ষত ৰৌপ্য মুদ্ৰাৰ প্ৰচলনৰ ক্ষেত্ৰত। বিদেশৰপৰা ভাৰতবৰ্ষলৈ প্ৰচুৰ পৰিমাণৰ ৰূপ আহিবলৈ লোৱা কাৰ্যই দেশত এফালে ৰূপৰ মুদ্ৰা তৈয়াৰ কৰাৰ ক্ষেত্ৰত অভাৱনীয়ভাৱে সহায় কৰিছিল আৰু আনফালে দেশৰ অৰ্থনীতিত বিনিময়ৰ মাধ্যম হিচাপে মুদ্ৰা তথা নগদ টকা প্ৰচলনৰ সুবিধা হৈছিল আৰু তাৰ সুবাদতে মোগল চৰকাৰে ভূমিৰ খাজনা আৰু অন্যান্য কৰ-কাটল টকাৰ মাধ্যমত সংগ্ৰহ কৰাতো সহজ সাধ্য কৰি তুলিছিল।

জিওভানি কাৰেৰী নামে ইটালীৰ পৰ্যটক এজনে ১৬৯০ চনত ভাৰতবৰ্ষ ভ্ৰমণ কৰা সময়ত বিশ্বৰ বিভিন্ন অঞ্চলৰপৰা ভাৰতবৰ্ষলৈ কেনেকৈ ৰূপৰ আগমন ঘটিছিল সেই বিষয়ে তেওঁ এটি টোকাত বিষদভাৱে লিখি থৈ গৈছে। এইটোৱে আমাক সপ্তদশ শতিকাৰ ভাৰতবৰ্ষত উভৈনদী হৈ পৰা অদ্ভুত পৰিমাণৰ নগদ টকা আৰু পণ্যৰ আদান-প্ৰদানৰ সম্ভেদ দিয়ে।

নক্সা ৮.১৩
*ইউৰোপীয় বজাৰৰ চাহিদা পূৰণ কৰিবলৈ উপ-মহাদেশত প্ৰস্তুত বয়ন শিল্পৰ চানেকি।*



**আলোচনা কৰা...**

**তোমাৰ ৰাজ্যখনত বৰ্তমান কৃষিজাত উৎপন্নৰ ওপৰত কৰ নিৰ্ধাৰণ হয়নে, বুজ লোৱা। মোগলৰ বিত্তীয় নীতিৰ সৈতে বৰ্তমান চৰকাৰৰ নীতিৰ কিবা মিল বা অমিল আছেনে ব্যাখ্যা কৰা।**

DailyAssam.Com



উৎস ৮

**ভাৰতবৰ্ষলৈ ৰূপ কেনেকৈ আহিছিল?**

জিওভানী কাৰেৰীৰ টোকাৰপৰা (বাৰ্ণিয়াৰৰ টোকাৰ ওপৰত নিৰ্ভৰ কৰি) উদ্ধৃত তলৰ কথাখিনিয়ে মোগল সাম্ৰাজ্যলৈ অহা প্ৰচুৰ সম্পদ সম্পৰ্কে এটি ধাৰণা দিছে ঃ

পাঠকে মোগল সাম্ৰাজ্যৰ ধন-সম্পদৰ বিষয়ে কিছু ধাৰণা পাবলৈ হ'লে তেওঁ মানি ল'ব লাগিব যে পৃথিবীত যিমান বিলাক সোণ-ৰূপৰ প্ৰচলন হৈ আছে সেই আটাইবিলাকেই অৱশেষত আহি ভাৰতবৰ্ষত কেন্দ্ৰীভূত হয়। এইটো সৰ্বজন বিদিত যে ইয়াৰ অধিকাংশই আমেৰিকাৰপৰা আহে। তাৰ আগতে সেই সোণ-ৰূপবিলাক ইয়োৰূপৰ ভালেমান ৰাজ্যৰ মাজেৰে ঘূৰি ফুৰে, তাৰে কিছু অংশ বিভিন্ন পণ্যৰ বাবে তুৰস্কলৈ যায় আন কিছু অংশ ৰেশমৰ বাবে স্মিৰ্না হৈ পাৰস্যলৈ যায়। বৰ্তমান তুৰ্কী সকলে কফি খাবলৈ এৰিব নোৱাৰাত, আৰু কফি আহে ওমান আৰু আৰব দেশৰপৰা... আৰু তুৰ্কীসকলে ভাৰতবৰ্ষৰ পণ্যৰ ওপৰত নিৰ্ভৰ নকৰাকৈ থাকিব নোৱাৰাত, লোহিত সাগৰৰ পাৰত আৰু বাবেল মন্দলৰ ওচৰত অৱস্থিত মোকালৈ (মোচা) প্ৰচুৰ পৰিমাণৰ টকা পঠিয়ায়, লগতে পাৰস্য উপসাগৰৰ তলৰ পিনে থকা বাছোৰালৈ (বাছ্ৰা), তাৰপৰা আকৌ জাহাজত তুলি ইন্দুস্থান (হিন্দুস্তান) লৈ পঠিয়ায় দিয়ে। ভাৰতীয় জাহাজৰ উপৰিও ওলন্দাজ, ইংৰাজ আৰু পৰ্টুগীজ জাহাজত প্ৰতি বছৰেই ইন্দুস্থানৰ পণ্য পেগু, টেনাছেৰিম (মিয়ানমাৰৰ অংশ), শ্যাম দেশ (থাইলেণ্ড), শ্ৰীলংকা... মালদ্বীপপুঞ্জ, মোজাম্বিক আৰু অন্যান্য ঠাইলৈ পঠিয়ায় আৰু সেইবিলাক দেশৰপৰা প্ৰয়োজন সাপেক্ষে ভাৰতবৰ্ষলৈ প্ৰচুৰ সোণ আৰু ৰূপ পঠিয়ায় দিয়ে। ওলন্দাজসকলে জাপানৰ খনিৰপৰা আহৰণ কৰা সকলোবোৰ সোণ-ৰূপ, আজি নহয় কাইলৈ, ইন্দুস্থানলৈ যায়, আৰু তাৰপৰা পণ্য নিয়া হয় ইয়োৰূপলৈ— ফ্ৰান্সলৈ, ইংলেণ্ডলৈ অথবা পৰ্টুগাললৈ, আৰু সেই সকলোবোৰেই নগদ টকাৰে ক্ৰয় কৰা হয় আৰু সেই টকা তাতেই (ভাৰতবৰ্ষতে) থাকি যায়।

## ৮. আবুল ফজল আল্লামীৰ আইন-ই আকবৰী

মোগল সম্ৰাট আকবৰৰ নিৰ্দেশ মৰ্মে আবুল ফজলে হাতত লোৱা আইন-ই আকবৰী আছিল ঐতিহাসিক আৰু প্ৰশাসনিক ঘটনা-পৰিঘটনা বিলাকৰ ওপৰত পৰিপাতিকৈ লিখি উলিওৱা এটি কাৰ্যক্ৰমনিকাৰ ফলশ্ৰুতি। সম্ৰাট আকবৰৰ ৰাজত্বৰ ৪২ তম বৰ্ষত অৰ্থাৎ ১৫৯৮ চনত সম্পূৰ্ণ কৰা হৈছিল। সম্পূৰ্ণ কৰাৰ পূৰ্বে ইয়াক পাঁচবাৰ সংশোধন কৰা হৈছিল। আইন-ই আকবৰী আছিল সম্ৰাট আকবৰে ইতিহাস লিখিবলৈ প্ৰস্তুত কৰা এটি বৃহৎ ঐতিহাসিক প্ৰকল্পৰ অংশ। ইতিহাস ৰচনাৰ বাবে প্ৰস্তুত কৰা সেই প্ৰকল্পটোৰ নামেই আছিল আকবৰ-নামা, ই তিনিখন গ্ৰন্থৰ সমাহাৰ। প্ৰথম দুখন গ্ৰন্থই ঐতিহাসিক বিৱৰণ সামৰি লৈছে। নৱম অধ্যায়ত আমি এই দুখন গ্ৰন্থ সম্পৰ্কে গভীৰভাৱে আলোচনা কৰাৰ অৱকাশ পাম। তৃতীয় গ্ৰন্থখন, অৰ্থাৎ আইন-ই আকবৰী, সংক্ষেপে ৰাজকীয় অধিসূচনা আৰু সাম্ৰাজ্যৰ এক গেজেটিয়াৰ হিচাপে লিখা হৈছিল।

আইন-ই আকবৰীয়ে দেশৰ আইন-আদালত, প্ৰশাসন যন্ত্ৰ আৰু সামৰিক বাহিনীৰ গঠন সম্পৰ্কে বিৱৰণ দাঙি ধৰিছে। ইয়াত আছে সাম্ৰাজ্যখনৰ ৰাজস্বৰ উৎস, আকবৰৰ আমোলত প্ৰদেশবিলাকৰ ভৌগোলিক অৱস্থান আৰু চাৰিসীমা আৰু জনসাধাৰণৰ সাহিত্যিক, সাংস্কৃতিক আৰু ধৰ্মীয় ঐতিহ্য-পৰম্পৰা আদিৰ ওপৰত বিস্তৃত বিৱৰণ। আকবৰৰ আমোলত চৰকাৰৰ বিভিন্ন বিভাগ বা দপ্তৰৰ লগতে সাম্ৰাজ্যৰ প্ৰদেশসমূহৰ (চুবা) বিৱৰণ দিয়াৰ উপৰিও আইন-ই আকবৰীয়ে

DailyAssam.Com





*নক্সা ৮.১৪*
*আবুল ফজলে আকবৰনামাৰ সম্পূর্ণ পাণ্ডুলিপি তেওঁৰ পৃষ্ঠপোষকক অর্পণ কৰিছে।*

প্রদেশসমূহৰ এক জটিল অথচ পৰিসংখ্যা কেন্দ্রিক বিৱৰণো আগবঢ়াইছে।

তথ্য সংগ্রহ আৰু পদ্ধতিগতভাৱে সেইবিলাকৰ সংকলন কার্য এক গুৰুত্বপূর্ণ ৰাজকীয় অনুশীলন আছিল। ইয়ে সম্রাটক বিশাল সাম্রাজ্যখনৰ বিভিন্ন অঞ্চলত প্রচলিত নানা তৰহৰ আৰু ধাৰাৰ ৰীতি-নীতি আৰু আচাৰ-ব্যৱহাৰৰ বিষয়ে বিস্তৃত তথ্য-পাতি দাঙি ধৰিছিল। আইন-ই আকবৰী সেয়ে আমাৰ বাবে আকবৰৰ আমোলৰ মোগল সাম্রাজ্যৰ এক বিশাল তথ্যৰ ভঁৰাল। অৱশ্যে এইটো মনত ৰখা দৰ্কাৰ যে এই ধৰণৰ দৃষ্টিভংগী সাম্রাজ্যখনৰ কেন্দ্রই বিভিন্ন ৰাজ্য ক্ষেত্র সমূহৰ প্রতি লোৱা দৃষ্টিভংগীৰহে প্রতিফলন আছিল, অর্থাৎ এই দৃষ্টিভংগী আছিল মোগল সমাজৰ উচ্চ বর্গৰ দৃষ্টিভংগী।

আইন-ই আকবৰী পাঁচটা খণ্ডত বিভক্ত, আৰু ইয়াৰ প্রথম তিনিটা খণ্ডই প্রশাসন ব্যৱস্থাটোৰ বর্ণনা দাঙি ধৰিছে। মঞ্জিল - আবাদী বোলা প্রথম খণ্ডটোৱে সম্রাটৰ গৃহস্থালী আৰু তাৰ ভৰণ-পোষণৰ বিষয়ে বর্ণনা কৰিছে। চিপাহ-আবাদী নামৰ দ্বিতীয় খণ্ডটোৱে সামৰিক আৰু অসামৰিক শাসন ব্যৱস্থাৰ বর্ণনা দিয়াৰ লগতে চাকৰ-নাকৰ সকলৰ সংস্থাপন সম্পর্কে উল্লেখ কৰিছে। এই খণ্ডটোতে আছে বিভিন্ন চৰকাৰী জাননী আৰু ৰাজকীয় কর্মচাৰী, পণ্ডিত, কবি আৰু কলাকাৰসকলৰ চমু জীৱনী।

মুল্‌ক- আবাদী বোলা তৃতীয়খন গ্রন্থত সাম্রাজ্যৰ ৰাজস্ব বিষয়ক কথাৰ লগতে খাজনা, কৰ-কাটল আদি সম্পর্কত বিস্তৃতভাৱে পৰিসংখ্যামূলক বিৱৰণ— যেনে, খাজনাৰ হাৰ আৰু "বাৰখন প্রদেশৰে বিৱৰণ"— দাঙি ধৰিছে। ইয়াত বিস্তৃত পৰিসংখ্যা মূলক তথ্যৰ উপৰিও সাম্রাজ্যখনৰ ভৌগোলিক, ভূমিৰ উপৰিভাগৰ লগতে অর্থনৈতিক বিৱৰণ সন্নিবিষ্ট কৰা হৈছে। তদুপৰি সকলোবোৰ চুবা আৰু সেইবিলাকৰ প্রশাসনিক বিভাজন (যেনে— চৰকাৰ, পৰগণা আৰু মহল), মুঠ জৰীপকৃত এলেকা আৰু নির্ধাৰিত খাজনা (জমা)ৰ পৰিমাণো দিয়া হৈছে।

চুবাৰ বিস্তৃত প্রশাসনিক বিৱৰণ দিয়াৰ পিছত আইন-ই আকবৰীয়ে তাৰ ঠিক তলৰ পর্যায়ৰ অর্থাৎ চৰকাৰৰ প্রশাসনিক ব্যৱস্থা সম্পর্কে পৰিপূর্ণ ৰেখাচিত্র এখন দাঙি ধৰিছে। অৱশ্যে সেইখিনি কৰা হৈছে সাৰণি বা তালিকাৰ মাধ্যমত, তাত মুঠতে আঠটা স্তম্ভৰ আধাৰত তথ্য-পাতি বিলাক তলত উল্লেখিত শিতান কেইটাত উপস্থাপন কৰা হৈছে— (১) পৰগণা/ মহল, (২) কিল্লা বা দুর্গ, (৩) আৰাজী বা জমিন-ই পাইমুৰা অর্থাৎ জৰীপকৃত এলেকা, (৪) নাকড়ী অর্থাৎ টকাৰ মাধ্যমত নির্ধাৰিত খাজনা, (৫) চুয়ুৰঘাল অর্থাৎ পৰোপকাৰৰ বাবে দান কৰা খাজনা, (৬) জমিদাৰ। ৭ আৰু ৮ নং স্তম্ভ কেইটাত জমিদাৰসকলৰ জাতি বা বর্ণ, তেওঁলোকে মোতায়ন কৰা সেনা বাহিনী— অশ্বাৰোহী (চোঁৱৰ), পদাতিক (পিয়াদা) আৰু হস্তী (ফিল) আদিৰ উল্লেখ আছে। মুল্‌ক-আবাদীয়ে উত্তৰ ভাৰতৰ কৃষিজীৱী সমাজৰ এক মনোমোহা, বিস্তৃত আৰু অতিকৈ জটিল অভিমত দাঙি ধৰিছে। চতুর্থ আৰু পঞ্চম গ্রন্থ কেইখনে ভাৰতীয় মানুহৰ ধর্মীয় বিশ্বাস আৰু ধ্যান-ধাৰণা, সাহিত্যিক আৰু সাংস্কৃতিক ঐতিহ্য-পৰম্পৰাৰ লগতে আকবৰৰ ভালেমান "মংগলজনক বচন" সন্নিবিষ্ট কৰিছে।

DailyAssam.Com




উৎস ৯

## "ভাগ্যৰ গোলাপী বাগানক জীপাল কৰি ৰখা"

এই উদ্ধৃতিটোত আবুল ফজলে কাৰপৰা আৰু কেনেকৈ তথ্য-পাতি সংগ্ৰহ কৰিছিল তাৰ বিশদ বিৱৰণ দিছে ঃ

...মোবাৰকৰ পুত্ৰ আবুল ফজলক... এই মহৎ আদেশ দিয়া হৈছিল। "নিষ্ঠাৰ কলমেৰে গৌৰৱময় ঘটনাবিলাকৰ টোকা লিখি যোৱা আৰু লগতে আমাৰ ৰাজ্য জয়ৰ কাহিনী। ... নিশ্চিতভাৱে মই মহামান্য সম্ৰাটৰ কাৰ্যৰ বিষয়ে লিপিবদ্ধ নথি-পত্ৰ, দলিল-দস্তাবেজ আৰু বিৱৰণ আদি সংগ্ৰহ কৰোঁতে বহু শ্ৰম আৰু গৱেষণা কৰিছিলোঁ। মই ৰাষ্ট্ৰৰ বিষয়া-কৰ্মচাৰী আৰু প্ৰসিদ্ধ পৰিয়ালটোৰ প্ৰবীন সদস্যসকলৰ সাক্ষাতকাৰ লওতেই বহু সময় পাৰ কৰিছিলোঁ। মই জ্ঞানী, সত্যবাদী আৰু কৰ্মঠ প্ৰবীন লোকক আৰু সৎকৰ্মত ৰত ডেকা-যুৱক উভয় পৰ্যায়ৰ লোককে পৰীক্ষা কৰিছিলোঁ আৰু তেওঁলোকে কোৱা কথাবিলাকক লিখিত ৰূপ দিছিলোঁ লগতে প্ৰদেশসমূহলৈ ৰাজকীয় আদেশো জাৰি কৰা হৈছিল যাতে যিসকলে সঠিকভাৱে আৰু কোনো সন্দেহ নোহোৱাকৈ পুৰণা সেৱাৰ কালত ঘটা কোনো ঘটনাৰ কথা টোকা বা আবেদন আকাৰে লিখি কেন্দ্ৰীয় ৰাজসভালৈ পঠিয়ায় দিয়ে। দ্বিতীয়তে, ভগৱানৰ পবিত্ৰ স্থানৰপৰা উজলি থকা, অন্য এখন ৰাজকীয় আদেশৰ মাধ্যমত, কোৱা হৈছিল যে যিবিলাক স্মাৰক পত্ৰ ইতিমধ্যে গোট খাইছে সেইবোৰ সম্ৰাটৰ জ্ঞতাৰ্থে পাঠ কৰি দিব লাগিব আৰু পিছত তাৰে যিবিলাক লিপিবদ্ধ কৰিব লাগিব, সেইখিনি মহৎ গ্ৰন্থখনৰ এক পৰিপূৰিকা হিচাপে পৃথকে উপস্থাপন কৰিব লাগিব। আৰু যিবিলাক সুক্ষ্মাতি সুক্ষ্ম অনুসন্ধানৰ বিৱৰণ আৰু যিবিলাক বিৱৰণত সন্নিবিষ্ট হৈ থকা কথা তেতিয়াই শেষ কৰিব নোৱাৰি, অন্য কোনো সময়ত আৰু মোৰ আজৰি কালত সেইবোৰ সন্নিবিষ্ট কৰিব লাগিব।

এই ৰাজকীয় আদেশৰ আলমত উপশম পোৱাত— ঈশ্বৰিক আদেশৰ দোভাষী— মোৰ হৃদয়ৰ গোপন উৎকণ্ঠাৰপৰা, মই মোৰ খছৰাটো লিখিবলৈ লাগি গ'লোঁ। সেই খছৰাটোত কোনো শৃঙ্খলা আৰু ৰচনা শৈলী নাছিল। মই ঈশ্বৰিক চনৰ ঊনৈশ বছৰৰপৰা ঘটনাপঞ্জিৰ বুৰঞ্জীবিলাক পাইছিলোঁ। সেই বছৰতে সম্ৰাটৰ বৌদ্ধিক ক্ষমতাৰ ফলত মহাফেজখানাটো স্থাপন কৰা হৈছিল, আৰু ইয়াৰ তথ্য-পাতিৰে সমৃদ্ধ পৃষ্ঠাবিলাকৰপৰা মই বহু ঘটনাৰে বিৱৰণ বা টোকা সংগ্ৰহ কৰিছিলোঁ। আৰম্ভণিৰেপৰা বৰ্তমানলৈ সম্ৰাটে প্ৰদেশসমূহলৈ পঠিওৱা প্ৰায়বোৰ আদেশৰে মূল পাঠ নতুবা প্ৰতিলিপি পাবলৈ বহু কষ্ট কৰিব লগা হৈছিল।... লগতে মই মন্ত্ৰী আৰু উচ্চ পৰ্যায়ৰ আমোলা-বিষয়াই সময়ে সময়ে সাম্ৰাজ্যৰ বিভিন্ন দিশৰ বিষয়ে আৰু বিদেশী দেশৰ ঘটনা সম্পৰ্কে দাখিল কৰা প্ৰতিবেদনৰ ভালেমান গ্ৰন্থখনত সন্নিবিষ্ট কৰিবলৈ লওতেও বহু কষ্ট কৰিব লগা হৈছিল। আনহাতে মোৰ শ্ৰম প্ৰিয় আত্মাৰ সন্তুষ্টি আছিল এই বুলি যে অনুসন্ধান আৰু গৱেষণাৰ সা-সঁজুলি আছিল আশানুৰূপ। মই আকৌ নিজকে বিদ্বান আৰু বিজ্ঞ মানুহৰ টোকা আৰু স্মাৰকপত্ৰ সংগ্ৰহ কৰিবলৈও নিয়োজিত কৰিছিলোঁ। এইবিলাক উপায়েৰে মই এটি জলধাৰা নিৰ্মাণ কৰিছিলোঁ, উদ্যেশ্য আছিল ভাগ্যৰ গোলাপী বাগানত (আকবৰ-নামা) জলসিঞ্চনৰ ব্যৱস্থা কৰি তাক জীপাল কৰি ৰাখিবলৈ।

➲ আবুল ফজলে তেওঁৰ পুথিখনত ব্যৱহাৰ কৰা সমুদায় উৎস তথা সমলৰ এখন তালিকা প্ৰস্তুত কৰা। কৃষি বিষয় সম্পৰ্কে বুজিবলৈ ইয়াৰ কোনবোৰ সমল অত্যাৱশ্যকীয়? আকবৰৰ সৈতে তেওঁৰ সম্বন্ধই পুথিখনত কিমানদুৰ প্ৰভাৱ বিস্তাৰ কৰিছিল বুলি তুমি ভাবা?

DailyAssam.Com



**আইন-ই আকবৰীৰ অনুবাদ কাৰ্য**

আইন-ই আকবৰীৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক ভালেমান ঐতিহাসিকে ব্যৱহাৰ কৰিব পৰাকৈ অনুবাদ কৰা হৈছে। হেনৰী ব্লখমেনে ইয়াক সম্পাদনা কৰিছে, আৰু বংগদেশৰ এছিয়াটিক ছ'চাইতিয়ে, কলিকতা, ইয়াৰ "বিবলিওথিকা ইন্দিকা" ছিৰিজত প্ৰকাশ কৰিছে। তিনিটা খণ্ডত এই গ্ৰন্থখন ইংৰাজীলৈ তৰ্জমা কৰাহৈছে। মানবিশিষ্ট প্ৰথম খণ্ডৰ অনুবাদক হ'ল ব্লখমেন (কলিকতা,১৮৭৩)। অন্য দুটা খণ্ড অনুবাদ কৰিছে এইছ. এছ, জাৰেট-এ (কলিকতা, ১৮৯১ আৰু ১৮৯৪)।

সাম্ৰাজ্যখনৰ বিস্তৃত তথ্য-পাতি নথিভুক্ত কৰাৰ বাবে যদিও আইন-ই আকবৰী ৰচনাৰ ক্ষেত্ৰত চৰকাৰী পৃষ্ঠপোষকতা জড়িত হৈ আছিল, এইখন অকল চৰকাৰী নথি-পত্ৰৰপৰা সংগৃহীত তথ্য-পাতিৰেই অবিকল নকল নাছিল, ই তাতকৈও অধিক গুৰুত্বপূৰ্ণ আছিল। আইন-ই আকবৰীৰ পাণ্ডুলিপিটো পাঁচবাৰলৈ সংশোধন কৰা কাৰ্যই এইটো সূচায় যে আবুল ফজলে তাত তথ্য-পাতিসমূহ সন্নিবিষ্ট কৰোঁতে সেইবিলাকৰ যথাৰ্থতা সম্পৰ্কে যথেষ্ট সতৰ্কতা অৱলম্বন কৰিছিল। উদাহৰণ হিচাপে, বুৰঞ্জীখনত "তথ্য" হিচাপে সন্নিবিষ্ট কৰাৰ আগতে মৌখিক সাক্ষ্য-প্ৰমাণসমূহৰ অন্যত্ৰ কিবা যোগসূত্ৰ বা অস্তিত্ব আছে নেকি তাক তন্ন তন্নকৈ পৰীক্ষা কৰিছিল। পৰিসংখ্যা থকা খণ্ডবোৰত সকলোবোৰ সংখ্যা বাচক তথ্য-পাতিকেই সমান্তৰালভাৱে অক্ষৰতো প্ৰকাশ কৰা হৈছিল, যাতে ভৱিষ্যতে তাৰপৰা প্ৰস্তুত কৰা প্ৰতিলিপি বা নকলত ভুল কৰাৰ অৱকাশ হ্ৰাস কৰিব পৰা যায়।

যিসকল ঐতিহাসিকে আইন-ই আকবৰীখন অধ্যয়ন কৰিছে তেওঁলোকে ক'ব খোজে যে এইখন সমস্যা মুক্ত গ্ৰন্থ নহয়। বিশেষকৈ যোগফল উলিওৱাত কৰা ভালেমান ভুল ধৰা পৰিছে। এইবিলাকক সাধাৰণ গণিতিক ভুল নতুবা প্ৰতিলিপি সম্পাদন কৰাৰ সময়ত আবুল ফজলৰ সহকাৰীসকলে কৰা ভুল আছিল। গ্ৰন্থখনত থকা এইবিলাক সাধাৰণ ক্ৰটি-বিচ্যুতি আৰু সেয়ে গ্ৰন্থখনৰ পৰিসংখ্যা কেন্দ্ৰিক সত্যনিষ্ঠতাৰ ওপৰত সন্দেহ কৰাৰ কোনো অৱকাশ নাই।

গ্ৰন্থখনৰ অন্য এটি সীমাবদ্ধতা আছিল ইয়াত সন্নিবিষ্ট তথ্য-পাতি বা পৰিসংখ্যা বিলাকৰ সংক্ষিপ্তকৰণ কেন্দ্ৰিক বৈশিষ্ট্য। মোগল সাম্ৰাজ্যৰ সকলোবোৰ প্ৰদেশৰপৰাই সমানুপাতিক হাৰত তথ্য-পাতিসমূহ সংগ্ৰহ কৰা হোৱা নাছিল। উদাহৰণ হিচাপে যি সময়ত অন্যান্য প্ৰদেশৰ জমিদাৰসকলৰ জাতি বা বৰ্ণ সম্পৰ্কে বিস্তৃত তথ্য-পাতি সন্নিবিষ্ট কৰা হৈছে সেই সময়ত গ্ৰন্থখনত বংগদেশ আৰু উৰিষ্যাৰ জমিদাৰসকলৰ ক্ষেত্ৰত নিৰৱতা অৱলম্বন কৰা হৈছে। তদুপৰি প্ৰদেশসমূহৰ ৰাজস্ব সম্পৰ্কীয় তথ্য-পাতিসমূহ তুলনামূলকভাৱে প্ৰাচুৰ্যৰ ফালৰপৰা লক্ষণীয় যদিও সেই অঞ্চলসমূহৰ কিছুমান গুৰুত্বপূৰ্ণ তথ্য-পাতি— যেনে, বস্তু-বাহানিৰ মূল্য আৰু মজুৰি সম্পৰ্কীয় তথ্য-পাতি তাত সঠিকভাৱে নথিভুক্ত কৰা নাই। আইন-ই আকবৰীত দ্ৰব্য মূল্য আৰু মজুৰি সম্পৰ্কীয় যি তালিকা সন্নিবিষ্ট কৰিছে সেইখিনি কেৱল ৰাজধানী চহৰ আগ্ৰা আৰু তাৰ উপকণ্ঠ অঞ্চল বিশেষৰহে, আৰু সেই কাৰণেই তেনে তথ্য-পাতি সমগ্ৰ দেশখনৰ বাবে গ্ৰহণযোগ্য নহয়।

উল্লেখিত সীমাবদ্ধতাবিলাক সত্বেও কিন্তু আই -ই আকবৰী সেই সময়ৰ এখন অসাধাৰণ দস্তাবেজৰূপে পৰিগণিত হৈ আহিছে। মোগল সাম্ৰাজ্যৰ পৰিকাঠামো আৰু গঠনতন্ত্ৰ সম্পৰ্কে মনোমোহা পোহৰৰ জিলিকনি পেলাই আৰু সাম্ৰাজ্যখনৰ উৎপাদিত সামগ্ৰী আৰু জনসাধাৰণৰ পৰিসংখ্যাগত তথ্য-পাতিৰ সম্ভেদ দি আবুল ফজলে মধ্য যুগৰ বুৰঞ্জী চৰ্চাত গুৰুত্বপূৰ্ণ সাফল্য লাভ কৰিছিল। মধ্যযুগৰ বুৰঞ্জীকাৰসকলে প্ৰধানতঃ গুৰুত্বপূৰ্ণ ৰাজনৈতিক ঘটনাৱলী— যেনে, যুদ্ধ, ৰাজ্যজয়, ৰাজনৈতিক ষড়যন্ত্ৰ আৰু বংশ কেন্দ্ৰিক খোৱা-কামোৰা আৰু অশান্তিৰ ওপৰতহে বিশেষকৈ আলোকপাত কৰিছিল। দেশ সম্পৰ্কীয় তথ্য-পাতি, তাৰ জনসাধাৰণ আৰু উৎপাদিত সামগ্ৰীৰ বিষয়ে আকস্মিকভাৱেহে উল্লেখ কৰা হৈছিল, তাকো প্ৰধান ৰাজনৈতিক ঘটনাৱলীৰ ওপৰত গুৰুত্ব প্ৰদান

DailyAssam.Com



কৰি সেইবোৰ সুন্দৰকৈ সাজাই-পৰাই তুলিবলৈহে।

আইন -ই আকবৰীব্যতিক্ৰমধৰ্মী ৰচনা, ই ইতিহাস চৰ্চাৰ প্ৰচলিত পৰম্পৰাৰ পৰা আঁতৰি আহি মোগল-ভাৰত সাম্ৰাজ্যখনৰ লগতে তাৰ জনসাধাৰণ সম্পৰ্কেও তথ্য-পাতি সন্নিবিষ্ট কৰিছিল। আৰু সেই কাৰণেই এইখন সপ্তদশ শতিকাৰ ভাৰতবৰ্ষৰ ইতিহাস চৰ্চাৰ এক এৰাব নোৱাৰা আঁকৰ গ্ৰন্থত পৰিণত হৈছে। আইন-ই আকবৰীৰ মোল বুজিব পাৰি তাত সন্নিবিষ্ট হৈ থকা মোগল সাম্ৰাজ্যৰ কৃষি সম্পৰ্কীয় পৰিসংখ্যাৰ সাক্ষী-প্ৰমাণৰ প্ৰতি লক্ষ্য কৰিলে, সেই সাক্ষী-প্ৰমাণ আজিও অম্লান আৰু অপ্ৰতিদ্বন্দ্বী হৈ আছে। সি যি কি নহওক, সেই সময়ৰ ভাৰতবৰ্ষৰ সামাজিক ইতিহাস চৰ্চা কৰিবলৈ হ'লে আইন-ই আকবৰীত সন্নিবিষ্ট তথ্য-পাতি— যেনে, ভাৰতবৰ্ষৰ জনসাধাৰণ, তেওঁলোকৰ বৃত্তি বা জীৱিকা, বেহা-বেপাৰ আৰু ৰাজকীয় কৰ্মচাৰী আৰু সংস্থাপন আৰু সাম্ৰাজ্যৰ সম্ভ্ৰান্ত শ্ৰেণীৰ লোকসকলৰ বিষয়ে থকা তথ্য-পাতিৰ ওপৰত নিৰ্ভৰ কৰাৰ বাহিৰে কোনো গত্যান্তৰ নাই।

### সময়ৰেখা

### মোগল সাম্ৰাজ্যৰ উল্লেখনীয় ৰাজনৈতিক ঘটনা-পৰিঘটনা

| | |
|---|---|
| ১৫২৬ | বাবৰে দিল্লীৰ চুলতান ইব্ৰাহিম লোডীক পানীপথত পৰাভূত কৰে আৰু প্ৰথম মোগল সম্ৰাট হয় |
| ১৫৩০-৪০ | হুমায়ুনৰ ৰাজত্বৰ প্ৰথম ছোৱা |
| ১৫৪০-৫৫ | ছেৰ ছাহে হুমায়ুনক পৰাভূত কৰে, ছাফাবিদত আশ্ৰয় লৈ থাকে |
| ১৫৫৫-৫৬ | হুমায়ুনে হেৰোৱা ৰাজ্য ক্ষেত্ৰ পুনৰ উদ্ধাৰ কৰে |
| ১৫৫৬-১৬০৫ | আকবৰৰ ৰাজত্ব কাল |
| ১৬০৫-২৭ | জাহাংগীৰৰ ৰাজত্ব কাল |
| ১৬২৮-৫৮ | ছাহজাহানৰ ৰাজত্ব কাল |
| ১৬৫৮-১৭০৭ | ঔৰাংগজেবৰ ৰাজত্ব কাল |
| ১৭৩৯ | নাদিৰ ছাহে ভাৰতবৰ্ষ আক্ৰমণ কৰি দিল্লী লুণ্ঠন কৰে |
| ১৭৬১ | আহমদ ছাহ আবদালিয়ে পানীপথৰ তৃতীয় যুদ্ধত মাৰাঠাসকলক পৰাভূত কৰে |
| ১৭৬৫ | বংগৰ দেৱানী ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীক হস্তান্তৰ |
| ১৮৫৭ | শেষ মোগল সম্ৰাট দ্বিতীয় বাহাদুৰ ছাহক বৃটিশে সিংহাসনচ্যুত কৰি ৰেংগুনলৈ (বৰ্তমান য়াংগুন, মিয়ানমাৰ) দেশান্তৰিত কৰে |

DailyAssam.Com



## ১০০-১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়া

১. কৃষি সম্বন্ধীয় ইতিহাস পুণৰ নিৰ্মাণৰ বাবে 'আইন' পুথিখনক উৎস হিচাপে গ্ৰহণ কৰাত কি কি সমস্যা আছে? ঐতিহাসিকসকলে এই পৰিস্থিতিত কেনেধৰণৰ ব্যৱস্থা হাতত ল'ব?

২. ষষ্ঠদশ-সপ্তদশ শতিকাৰ কৃষিজাত উৎপন্নক কিমানদূৰ জীৱিকা অৰ্জনৰ বৈশিষ্ট্য প্ৰদান কৰিব পাৰি? তোমাৰ উত্তৰৰ যুক্তিযুক্ততা দাঙি ধৰা।

৩. কৃষিজাত উৎপন্নত মহিলাৰ ভূমিকা সম্বন্ধে বৰ্ণনা কৰা।

৪. আমাৰ বিবেচনাধীন সময়ছোৱাত উদাহৰণৰ সৈতে বিত্তীয় লেনদেনৰ পৰিণতি আলোচনা কৰা।

৫. মোগলৰ বিত্তীয় ব্যৱস্থাত ভূমি কৰৰ যথেষ্ট গুৰুত্ব আছিল বুলি থকা সাক্ষ্য প্ৰমাণ পৰীক্ষা কৰা।

## ২৫০-৩০০ শব্দৰ ভিতৰত এখন চমু ৰচনা লিখা

৬. কৃষক সমাজৰ সামাজিক আৰু অৰ্থনৈতিক সম্বন্ধত বৰ্ণ বৈষম্যই কিমান দূৰ এটা কাৰক হিচাপে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে বুলি তুমি ভাবা?

৭. ষষ্ঠদশ-সপ্তদশ শতিকাৰ অৰণ্যবাসীসকলৰ জীৱনধাৰাত কেনে পৰিৱৰ্তন ঘটিছিল?

৮. মোগল ভাৰতত জমিদাৰসকলৰ ভূমিকাৰ গুণাগুণ নিৰূপণ কৰা।

৯. পঞ্চায়ত আৰু গাঁৱৰ মুখীয়ালে গ্ৰাম্য সমাজক কিদৰে নিয়ন্ত্ৰণ কৰে, আলোচনা কৰা।

*নক্সা ৮.১৫*
*সপ্তদশ শতিকাৰ চিত্ৰত দুজন মণিকাৰ তথা ৰত্ন বণিকক দেখা গৈছে।*



DailyAssam.Com



## মানচিত্ৰৰ কাম

১০. বিশ্বৰ বৰ্হিৰেখা সম্বলিত এখন মানচিত্ৰ আঁকি মোগল সাম্ৰাজ্যৰ সৈতে আৰ্থিক লেনদেন থকা ঠাইসমূহত দাগ দিয়া। এই যোগাযোগ স্থাপনৰ ক্ষেত্ৰত ব্যৱহৃত সাম্ভাব্য পথবোৰ বিচাৰি উলিওৱা।

## প্ৰকল্পৰ কাম (যিকোনো এটা)

১১. চুবুৰীয়া গাঁও এখনলৈ গৈ তাত কিমান লোকে বসবাস কৰে, কি কি শস্য উৎপাদিত হয়, কোনবোৰ জীৱজন্তু তেওঁলোকে পালন কৰে, কোনবোৰ সুকুমাৰ কলা শিল্পীয়ে তাত বাস কৰে, মহিলাসকলৰ ভূমিস্বত্ব আছেনে নাই আৰু স্থানীয় পঞ্চায়তে কি কাম-কাজ কৰে— এনে তথ্যবোৰ সংগ্ৰহ কৰা। ইতিমধ্যে, তুমি ষষ্ঠদশ আৰু সপ্তদশ শতিকাৰ বিষয়ে যি জ্ঞান লাভ কৰিছা, সেইবোৰৰ সৈতে এইবোৰ তথ্য ৰিজাই চাই যিবোৰ সাদৃশ্য আৰু বৈসাদৃশ্য দেখিছা, সেইবোৰ টুকি থোৱা। পৰিৱৰ্তন আৰু অবিচ্ছিন্নতা— উভয় ক্ষেত্ৰত তুমি ইমানপৰে যি দেখিছা সেইবোৰ ব্যাখ্যা কৰা।

১২. তলত উল্লেখ কৰা ৱেবচাইটৰ অন্‌লাইন যোগে 'আইন'ৰ এটা ক্ষুদ্ৰ খণ্ড (১০-১২ পৃষ্ঠাৰ) বাছি লৈ তাক সাৱধানতাৰে সৈতে অধ্যয়ন কৰি এজন ঐতিহাসিকে ইয়াক কিদৰে ব্যৱহাৰ কৰিবলৈ সক্ষম হ'ব, সেই বিষয়ে এখন ৰিপ'ৰ্ট তথা প্ৰতিবেদন প্ৰস্তুত কৰা।

*নক্সা ৮.১৬*
*এগৰাকী মহিলা মিঠাই বিক্ৰেতাৰ অঙ্কিত ৰঙীন চিত্ৰ।*



**অধিক জানিবলৈ ইচ্ছুক হ'লে এইবোৰ পুথি পঢ়া ঃ**


Sumit Guha. 1999.
*Environment and Ethnicity in India.*
Cambridge University Press, Cambridge.

Irfan Habib. 1999.
*The Agrarian System of Mughal India 1556-1707* (Second edition).
Oxford University Press, New Delhi.

W.H. Moreland. 1983 (rpt).
*India at the Death of Akbar: An Economic Study.*
Oriental, New Delhi.

Tapan Raychaudhuri and Irfan Habib (eds). 2004.
*The Cambridge Economic History of India. Vol.1.*
Orient Longman, New Delhi.

Dietmar Rothermund. 1993.
*An Economic History of India – from Pre-colonial Times to 1991.*
Routledge, London.

Sanjay Subrahmanyam (ed.).1994.
*Money and the Market in India, 1100-1700.*
Oxford University Press, New Delhi.


**অধিক তথ্যৰ বাবে সংযোগ কৰা ঃ**

http://persian.packhum.org persianindex.jsp?serv=pf&file=00702053&ct=0